প্ৰবন্ধ

# ভয়

■ জুহিস্মিতা ৰয় ■
স্নাতক প্ৰথম ষান্মাসিক

ভয়, এটা সাধাৰণ শব্দ। দেখাত সাধাৰণ হ'লেও ই কিন্তু সন্ত্ৰাসবাদৰ দৰে কেতিয়াবা কালও হ'ব পাৰে। যেতিয়াই মানুহে কোনো আশ্চৰ্যজনক বস্তু দেখা পায় বা তেনেকুৱা কোনো কথা অনুভৱ কৰে; তেতিয়াই ভয়ে মানুহক আক্ৰমণ কৰে। হঠাতে কৰ পৰা আহে এই ভয়? কোনে জানে এই কথা। মই হ'লে একোকে বুজি নাপাওঁ।

মোৰ হ'লে ভয় বহুত। মানুহে হয়তো ভাবিব পাৰে এই ছোৱালীজনীৰ কিয় ইমান ভয়? হাঁহিলেও উপায় নাই। মই ক'বলৈ বাধ্য। আচলতে মোৰ ভয়ৰ কাৰণবোৰ বেলেগৰ দৰে নহয়। বহুতে ভয় কৰে ভূত-প্ৰেত আদিৰ কাৰণে। কিন্তু মই ভয় কৰো যে মই পৰীক্ষাত ভাল ফলাফল আনিব পাৰমিনে? মই মোৰ মা-দেউতাৰ সপোন পূৰণ কৰিব পাৰিমনে? মই সৎ জ্ঞানী, ভাল মানুহ হ'ব পাৰিমনে? মই এই জটিল পৃথিৱীখনৰ বাধা নেওচি উন্নতিৰ পথত আগবাঢ়িব পাৰিমনে? এইবোৰ হ'ল মোৰ ভয়ৰ কাৰণ। সেই কাৰণে বোধহয় অইনবোৰৰ তুলনাত মোৰ ভয়ৰ পৰিমাণটো অলপমান বেছি। মানুহে কয়, ল'ৰা-ছোৱালী ডাঙৰ হ'লে বোলে ভয় নকৰা হয়, সাহসী হয়, কিন্তু মোৰ ক্ষেত্ৰত এইটো সম্পূৰ্ণ ওলোটা। মোৰ ভয়ৰ পৰিমান দিনে দিনে বাঢ়িহে গৈ আছে, ঢল পানী বঢ়াৰ দৰে। কেতিয়াবা কিছুমান প্ৰতিযোগিতাত মোৰ অংশ গ্ৰহণ কৰিবলৈ ইচ্ছা যায়। একেবাৰে নকৰাও নহয় সেইবুলি। প্ৰাইজো আনিছো।যেতিয়াই এইবোৰত অংশ গ্ৰহণ কৰো তেতিয়াই মোক সেই ভয়ে আক্ৰমণ কৰে। কিজানিবা সফল নহওঁৱে নেকি? মোৰ এনেকুৱা ভাব হয় মনত।

শুনিলেই হাঁহি উঠা কথা, যেতিয়া মই হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছিলো, সেই সময়ত মই ৰাতিলৈকে পঢ়িছিলো। আচলতে ইয়াত 'মই' বুলি ক'লে ভুল হ'ব, সকলোৱে পঢ়ে সেই সময়ত। তথাপিও মোৰ মজা আছিল অলপ বেলেগ। পঢ়াৰ সময়ত মোৰ ওচৰত মোৰ মা প্ৰায় বহি আছিল। মই যেতিয়া কোনো প্ৰশ্ন বুজি নাপালে অত্যাধিক উৎকণ্ঠা লৈ অযথা ভয় খাওঁ যে মোৰ পৰীক্ষা আহিল বুলি, তেতিয়াই মা-দেউতাই সাহস দিছিল। সেই কাৰণেই মায়ে মোৰ এই ভয় আঁতৰোৱাৰ কাৰণে মোক ৰখি আছিল। মোৰ মায়ে যে ইমান কষ্ট কৰি মোক ৰখি থাকে সেইবোৰ ভাবিও মোৰ ভয় লাগে, যে মই ভাল ফলাফল আনিব পাৰিম নে? পৰীক্ষা আহিল পৰীক্ষাটো ভয়। প্ৰশ্ন কাকত পঢ়ি চাই দেখিলো সকলো জনা প্ৰশ্ন। আকৌ ভয় মই সঠিক সময়ত লিখিব পাৰিমনে? পৰীক্ষা শেষ হ'ল, ফলাফল ভালে হ'ল। ভয়ৰ মাজেৰে এটা পৰীক্ষাত ভাল ফলে পালো।

মই বুজি নাপাওঁ, মোৰ অকলে ইমান ভয় আনকাৰোবাৰো লাগে নে। কেতিয়ালৈক থাকিবনো মোৰ লগত এই বস্তুটো। মাজে মাজে এনে ভাব হয়, মৃত্যুৰ কেই ছেকেণ্ডমান আগতহে বোধ হয় এইটোৱে মোক এৰা দিব। হে হৰি, মোক এনেকুৱা শক্তি দিয়া যাতে নিমিষতে হেৰাই যায়

এই ভয়, মোৰ পৰা, জুইৰ ভয়ত উধান পলোৱাৰ দৰে। অনুভৱেই অনুভৱ কৰিব নাজানিলে ভয় নাই। মই অৰু অনুভৱ নকৰোঁ, মোৰ ভয়টো নোহোৱা হওক। তাৰে কামনাৰে...।

শেষত মই কওঁ, ভয়ৰ কোনো কাৰণ নাই। ভয়ে মানুহক আগবাঢ়ি যোৱাত বাধাহে দিয়ে। মনত বিশ্বাস, সাহস থাকিলে ভয় নামৰ শব্দটোৱে একো কৰিব নোৱাৰে। বৰ্তমান মোৰ মনৰ পৰা ভয়বোৰ নোহোৱা হৈ যাব ধৰিছে। কাৰণ মই বুজিব পাৰিছো যে মানুহে যদি একাগ্ৰতাৰে কাম কৰে সফল হ'বয়ে, তাত কোনো ভয়ৰ কাৰণ নাই। গতিকে যিসকলে মোৰ দৰে ভয় কৰে তেওঁলোকে যেন ভয়ৰ পৰা আঁতৰি নিজৰ মনবলেৰে আগবাঢ়ি যায়।

●●●



## ৰাশেল চৌধুৰী

## বিকালীৰ গৌৰৱ

যোৱা ১২ আগষ্টত 'অসম সাহিত্য সভা'ৰ যুৱ সংসদ উপ-সমিতিৰ উদ্যোগত আৰু অলিম্পিয়া ক্ৰীড়া ৺ালোচনীৰ সহযোগত আন্তৰ্জাতিক যুৱ দিৱস. ২০১৮ ত **"স্তৱক উন্মোচনী"** সভাত অসম সাহিত্য সভাৰ মাননীয় সভাপতি শ্ৰীযুত পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই আনুষ্ঠানিকভাৱে আমাৰ বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ ৰাশেল চৌধুৰীক "শ্ৰেষ্ঠ যুৱ স্তৱক বটা ২০১৮" প্ৰদান কৰে। এই বঁটা নতুন প্ৰজন্মক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰদান কৰা হয়। তেখেতে ২০১৮ চনত বিকালী মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। নতুন প্ৰজন্মৰ বাবে তেওঁ আশাৰ প্ৰদীপ।

তেখেতলৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

প্ৰবন্ধ

# Agriculture Problems of North East India

Minakshi Nath
M.A. 2nd Sem, Geography Deptt.

India is ac country of great geographical extent. India is a unique country in the world. Agriculture has been practiced in India since time immemorial. It plays a vital role in the economy of India. In India, the North eastern region is a important part of Indian agriculture sector. The North East India comprising eight states has enormous natural resources. In North East India, about 80% population depended mainly in agriculture. Agriculture is the major occupation in North East India. Agriculture includes raising of crops from the animal husbandry agroforestry and pisciculture. North East India is pre-eminently an agricultural region. The development of agriculture in all states of the region is very important to strengthen economy of North East India. The agriculture of North East India we should modernized of agriculture. We should improve our level of agriculture. We should apply something new to develop our agriculture sector. The major agriculture commodities is of export are tea, raw cotton, oil, tobacco, spices, fruits and vegetables. There is great need to increase agriculture production so that sufficient exportable surplus commodities are available after meeting our domestic requirements. In North East India in present time, agriculture modernization is important and in modernization people faces some problems.

North Eastern agriculture is plagued by several problems, some of them are natural and some others are manmade. Some of the major problems and their possible solutions have been discussed as follows:

**Small and fragmented land :**

The problem of small and fragmented holdings is more serious in densely populated and intensively cultivated states. The main reason for this sad state of affairs is our inheritance laws. The land belonging to the father is equally distributed among his sons and daughters. This distribution of land does not entail a collection or consolidated one, but its nature is

fragmented. In this way the holdings become smaller and more fragmented with each passing generation.

Sub-division and fragmentation of the holdings is one of the main cause of our low agricultural productivity and backward state of our agriculture. A lot of time and labour is wasted in moving seeds, manure, implements and cattle from one piece of land to another.

The only answer to this ticklish problem is the consolidation of holdings which mans the reallocation of holding which are fragmented, the creation of farms which comprise only one or a few parcels in place of multitude of patches formerly in the possession of each peasant.

**Seeds:**

Seed is a critical and basic input for attaining higher crop yields and sustained growth in agricultural production. Distribution of assured quality seed is a critical as the production of such seeds. Unfortunately, good quality seeds are out of reach of the majority of farmers, especially small and marginal farmers mainly because of exorbitant prices of better seeds. In order to solve this problem, the government of India has taken sev‹ ¬al steps so that quality seeds are made available to farmers in sufficient quantity at reasonable prices.

**Manures, fertilizers and biocides:**

North Eastern soils have been used for growing crops over thousands of years without caring much for replenishing. This has led to depletion and exhaustion of soils resulting in their low productivity. The average yields of almost all the crops are among the lowest in the world. This is a serious problem which can be solved by using more manures and fertilizers. Manures and fertilizers play the same role in relation to soils as good food in relation to body just as a well nourished body is capable of doing any good job, a well nourished soil is capable of giving good yields. It has been estimated that about 70% of growth on agricultural production can be attributed to increased fertilizer application. Cow dung provides the best manure to the soils. It has been felt that organic manures are essential for keeping the soil in good health.

**Lack of Mechanization:**

In North East India, most of the agricultural operations in large parts are carried on by human hand & using simple and conventional tools and implements like wooden plough, sickle etc. Little or no use of machines is made in ploughing sowing, irrigating, thinning and pruning, weeding, harvesting threshing and transporting the crops. This is specially the care with small and marginal farmers. It results in huge wastage of human labour and in low yields per capita labour force.

It is very important problem of North Eastern agriculture sector. Strategies and programmes have been directed forwards replacement of traditional and inefficient implements by improved ones, enabling the farmer of own tractors, power tillers, harvesters and other machines. A large industrial base for manufacturing of the agricultural machines has been also developed.

**Agricultural Marketing:**

Agricultural marketing still continues to be in a bad shape in rural areas. In the absence of sound marketing facilities the farmers have to depend upon local traders and middleman for the disposal of their

farm produce which is sold at throw away price. In rural areas, the farmers sell their produce to the money tender from whom they usually borrow money.

**Inadequate storage facilities:**

Storage facilities in the rural areas are either totally absent or grossly inadequate. Under such conditions the farmers are compelled to sell their produce immediately after harvest at the prevailing market prices which are bound to be low. Such distress sale deprives the farmers of their legitimate income.

In North East India, illiteracy is also a important problem in agriculture sector. People are not educated in agricultural sector, so they do not know abjectly how to apply medicine or others. We should solve this problem. When people are educated in agriculture sector, they know the things.

Problems have solution, so we should solved this type of problem in agriculture sector in North East India. A healthy and advanced agriculture creates demand for several industrial products like tractors, harvesters, threshers, chemical fertilizers, pesticides, etc. Moreover, income generated in the agricultural sector creates ready market for various manufactured goods. Thus agriculture has double relation with industry. It acts as a supplier of raw materials to the industries and as consumer of industrial products. North East India is a agricultural land. We should modernize our agriculture. North East India is a diversity of natural resource.

**মহৎ লোকৰ বাণী**

- "ধৈৰ্য্য নেহেৰুৱাবলৈ সাহস লাগে। সাহসী হ'বলৈ ধৈৰ্য্য লাগে।" — আব্ৰাহাম লিংকন
- "আমি যি জানো সি অতি সামান্য। আমি যি নাজানো; তাৰ সীমা নাই। এতেকে নিজকে জ্ঞানী বুলি ভবা অনুচিত।" — পাপেলচ্
- "আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।" — চক্ৰেটিচ

# বিকালী মহাবিদ্যালয়ৰ সৈতে জড়িত দুগৰাকী কাণ্ডাৰী পুৰুষ ঃ এক চমু সাক্ষাৎকাৰ



শ্ৰীযুত যোগ নাৰায়ণ পাঠক

গোৱালপাৰা জিলাৰ ধূপধৰা নিবাসী মাননীয় শ্ৰীযুত যোগ নাৰায়ণ পাঠকদেৱ জন্ম সূত্ৰে শাচিবড়ী গাঁৱৰ যদিও কৰ্মসূত্ৰে তেওঁ ধূপধৰাৰ স্থায়ী বাসিন্দা। চাকৰি জীৱনৰ প্ৰথমাৰ্দ্ধত ৰে'ল সেৱাত যোগ দিছিল যদিও শ্ৰদ্ধেয় পাঠক ছাৰক যেন ধূপধৰা উচ্চ মাধ্যমিক বিদ্যালয়ে হাত বাউলি মাতিছিল। জীৱনজুৰি শিক্ষকতা বৃত্তিত জড়িত থাকি ধূপধৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ক্ৰমে সহকাৰী শিক্ষক, সহকাৰী প্ৰধান শিক্ষক আৰু বিদ্যালয় প্ৰধান হৈ অৱসৰ গ্ৰহণ কৰে। শিক্ষকতা বৃত্তিৰ মাজেৰে সমাজলৈ প্ৰভূত বৰঙনি যোগোৱাৰ উপৰিও শ্ৰদ্ধেয় পাঠক ছাৰে বিভিন্ন ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ সমাজলৈ বৃহৎ বৰঙনি আগবঢ়ায়। ধূপধৰাত উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তোলাৰ প্ৰাক্‌ক্ষণৰ পৰাই ওতপ্ৰোত ভাবে জড়িত হৈ সম্প্ৰতি বিকালী মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ সভাপতিৰ পদ অলংকৃত কৰি আছে। সমাজলৈ তেখেতৰ অভূতপূৰ্ব বৰঙনিৰ বাবে তেখেতৰ পৰা এটি সাক্ষাৎকাৰ লোৱাৰ প্ৰয়াস কৰা হৈছিল। পৰিণতিত কিছু সময়ৰ বাবে শ্ৰদ্ধেয় পাঠক ছাৰৰ লগত হোৱা বাৰ্ত্তলাপৰ কিয়দাংশ তলত দাঙি ধৰিলোঁ।

**প্ৰশ্ন ঃ** আপুনি বিকালী মহাবিদ্যালয়ৰ লগত কেতিয়াৰ পৰা জড়িত হৈ আহিছে?

**উত্তৰ ঃ** ১৯৮২ চনৰ ১৫ এপ্ৰিল তাৰিখে বিকালী মহাবিদ্যালয়খনে আনুষ্ঠানিক ভাবে প্ৰতিষ্ঠা লাভ কৰিছিল যদিও ইয়াৰ প্ৰস্তুতি কিন্তু কেবা বছৰৰ আগৰ পৰাই চলি আছিল। যেনে পুথি সংগ্ৰহ, স্থান নিৰ্বাচন, শিক্ষক-কৰ্মচাৰীৰ বাছনি ইত্যাদি। প্ৰখ্যাত ইছমাইল আলী, যজ্ঞেশ্বৰ কলিতা, অন্নদা হাজৰিকা, নবীন

ৰায় চৌধুৰী আৰু প্ৰয়াত-জীৱিত বহুতে সেনাদক্ষ আৰু আমি সেনানিৰ কাম কৰিছিলো। যজ্ঞেশ্বৰ কলিতাদেৰে কিছুকাল থাকি সম্পাদকৰ পদ এৰি দিয়াত আমি অলপ সময়ৰ বাবে সম্পাদকৰ সেৱা আগবঢ়াইছিলো। আৰম্ভণিতে আন্তঃগাঁথনিৰ কাম স্বাভাৱিক নোহোৱাত বাসগৃহৰ কিছু অংশ কাৰ্যালয় হিচাপে ব্যৱহৃত হৈছিল। স্থান সম্পৰ্কত কিছু ক'বলগীয়া আছে। প্ৰথমে ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিৰ ফৰেষ্ট বাংলাৰ ঠাইখিনি নিৰ্বাচন কৰি গোটেই অঞ্চলৰ বন কাটি, পৰিষ্কাৰ কৰা হৈছিল। পিছত সেই ঠাই পৰিৱৰ্তন কৰি বৰ্তমানৰ ঠাই বাছনি কৰা হয়। পিছৰ সিদ্ধান্তই নিখুঁত হৈছে। ফৰেষ্টৰ মাটিত হোৱা হ'লে ফৰেষ্ট মুক্ত কৰি মাটি আবণ্টন কৰা কঠিন হ'লহেঁতেন।

**প্ৰশ্ন ঃ** বিকালী মহাবিদ্যালয়ৰ প্ৰতি আপোনাৰ অনুভৱ কেনে ধৰণৰ ?

**উত্তৰ ঃ** সমাজ সচেতন ব্যক্তি এজনৰ মহাবিদ্যালয়খনৰ প্ৰতি যেনে আসক্তি হোৱা উচিত আমাৰ ক্ষেত্ৰটো তাৰ কম নহয়। শিক্ষা সংস্কৃতিৰ প্ৰগতিৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে দীঘল যাত্ৰা আৰম্ভ কৰক, সেয়ে আমাৰ অনুভৱ।

**প্ৰশ্ন ঃ** বিকালী মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰাৰ পিছৰে পৰা বৰ্তমান সময়লৈকে কিমানখিনি উন্নতি লাভ কৰিব পাৰিছে বুলি আপুনি ভাবে?

**উত্তৰ ঃ** বিকালী মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰা দিন ধৰি বিকালী মৌজাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত এটা শিক্ষাৰ নৱ জাগৰণ আহিছে। পূৰ্বতে উচ্চ শিক্ষা লাভ কৰিবলৈ কোনো শিক্ষানুষ্ঠান ওচৰত নথকাৰ ফলত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত বহুতৰে শিক্ষাৰ সমাপ্তি ঘটিছিল। বৰ্তমান সময়ত উচ্চ শিক্ষাৰ প্ৰসাৰতা বৃদ্ধিত এই উচ্চ শিক্ষানুষ্ঠানখনে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে। অকল প্ৰসাৰতাই নহয় প্ৰতিষ্ঠা লাভ কৰা দিন ধৰি বৰ্তমানলৈ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি আৰু প্ৰয়োজনীয় শিক্ষা লাভৰ গুণগত ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন তথা শ্ৰীবৃদ্ধি দেখা গৈছে। উন্নয়নৰ শেষ সীমা নাই, তুলনাৰেহে জোখা হয়।

**প্ৰশ্ন ঃ** বৰ্তমান উঠি অহা যুৱ প্ৰজন্মৰ বিষয়ে আপুনি কি ক'ব বিচাৰে?

**উত্তৰ ঃ** বৰ্তমান নৱ প্ৰজন্মৰ মাজত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত শিক্ষা গ্ৰহণৰ প্ৰৱণতা পূৰ্বতকৈ বহুখিনি বৃদ্ধি পাইছে যদিও বৰ্তমানৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰখনৰ ধাৰণা আশানুৰূপ বৃদ্ধি পোৱা নাই। উচ্চ শিক্ষা ল'ব লাগে বাবেই যেন লৈ আছে। উচ্চ আকাংক্ষাৰ এনে ধাৰণাই শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সফল নহয়। ইয়াৰ উপৰিও উঠি অহা প্ৰজন্মৰ বহুতৰে মাজত অতি আধুনিকতা, বস্তুবাদী চিন্তা আৰু কৰ্মই তেওঁলোকক আচ্ছন্ন কৰি ৰাখিছে।

**প্ৰশ্ন ঃ** মহাবিদ্যালয়ৰ আলোচনী এখনৰ মানদণ্ড কেনেধৰণৰ হোৱাটো উচিত বুলি আপুনি ভাৱে?

**উত্তৰ ঃ** প্ৰকৃতপক্ষে মহাবিদ্যালয়ৰ আলোচনীখন শিক্ষানুষ্ঠানটিৰ দাপোণ স্বৰূপ। অনুষ্ঠানৰ অভাৱ-অভিযোগ, উৎকৰ্ষতা, ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ষেত্ৰত নিপুণতা আলোচনীখনৰ মাধ্যমত প্ৰতিফলিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চা, সৃষ্টিশীলতা আৰু জ্ঞানৰ পৰিধিৰ এখন সুউচ্চ দলিল স্বৰূপ। গতিকে এই অৰ্থত আলোচনীখন অতি উচ্চ খাপৰ হোৱাটো বাঞ্ছনীয়।

**প্ৰশ্ন ঃ** বিকালী মহাবিদ্যালয়খনে আমাৰ এই অঞ্চলটোৰ শৈক্ষিক দিশৰ অগ্ৰগতিত কিমানদূৰ অৰিহণা যোগাব পাৰিছে বুলি আপুনি ভাবে?

**উত্তৰ ঃ** ইয়াৰ উত্তৰ প্ৰথমেই কোৱা হৈছে। আমাৰ এই অঞ্চল শিক্ষাৰ ক্ষেত্ৰত অতি পিছপৰা। আৰ্থিকভাৱে

অনগ্রসৰ এই অঞ্চলটোত বিকালী মহাবিদ্যালয়খন এক মাইলৰ খুঁটি। ধনী-দুখীয়া সকলো শ্ৰেণীৰ মানুহক শিক্ষাৰ ক্ষেত্ৰত এই উচ্চ শিক্ষানুষ্ঠানখনে সা-সুবিধা আৰু প্ৰভূত অৰিহণা যোগাইছে।

প্ৰশ্ন ঃ বিজ্ঞান আৰু বাণিজ্য শাখাৰ লগতে স্নাতকোত্তৰ শাখা বিকালী মহাবিদ্যালয়ত নতুনকৈ প্ৰতিষ্ঠিত হৈছে। ইয়াৰ ওপৰত আপুনি কিমান আশাবাদী?

উত্তৰ ঃ বিজ্ঞান শাখা আৰম্ভ কৰাৰ ক্ষেত্ৰত কিছু ক'ব লাগিব। কলা শাখাটো থিয় দিয়া হৈছিল যদিও বৰ্তমান সময়ত বিজ্ঞান শিক্ষাৰ আৱশ্যকতা বৰকৈ অনুভৱ কৰা হৈছিল। তাৰ বাবে প্ৰস্তুতিও চলিছিল। পুথিৰ বাবে দান-বৰঙণি যেনে- ধূপধৰা চিনেমা হলৰ প্ৰতি চিটত অৰিহণা, সমবায় সমিতিৰ প্ৰতি লিটাৰ কেৰাচিন তেলত ওপৰঞ্চি কৰা হৈছিল। কিন্তু এই শাখাটোৰ বাবে সীমাহীন অৰ্থৰ আৱশ্যকতাৰ কথা চিন্তা লগতে প্ৰবক্তা আৰু তেওঁলোকৰ মাহিলিৰ কথা চিন্তা কৰি এই উদ্যোগত থমকি ৰৰ লগা হৈছিল। তাৰ পৰিৱৰ্তে বাণিজ্য শাখা খোলাৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ মিঠা ফল আমি পাই আছো। কিন্তু বৰ্তমান সময়ত বিজ্ঞান শিক্ষাৰ অবিহনে এখন শিক্ষানুষ্ঠান বিকলাংগ - এই কথা প্ৰতিজন ব্যক্তিৰ বিবেক দংশন হ'বলৈ ধৰাত তাৰেই ফলস্বৰূপ বিজ্ঞান শাখা প্ৰতিষ্ঠিত কৰা হ'ল। বৰ সুখৰ কথা যে অসম চৰকাৰে বিকালী মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ বাবে হুকুম কৰিলে। বিকালী মহাবিদ্যালয়ত এক নতুন দিগন্তৰ সূচনা হ'ল।

প্ৰশ্ন ঃ মহাবিদ্যালয়খনে এই অঞ্চলটোৰ কুসংস্কাৰ, অন্ধবিশ্বাস আদি আঁতৰোৱাত অৰিহণা যোগাব পাৰিছে বুলি আপুনি ভাবেনে?

উত্তৰ ঃ প্ৰকৃত শিক্ষাৰ অভাৱৰ কাৰণেই কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ মূল কাৰণ। উপযুক্ত শিক্ষাই পৰম্পৰাভাৱে শিপাই থকা এই কুসংস্কাৰবোৰৰ মূলোচ্ছেদ কৰিব পাৰিব। মহাবিদ্যালয়খনে ক্ৰমে ক্ৰমে নতুন শিক্ষিত প্ৰজন্মৰ নামত পূৰ্বৰে পৰা চলি অহা অমানৱীয় দিশবোৰ বিজ্ঞানসন্মত ভাবে পৰ্যালোচনা কৰি সংস্কাৰ কৰিব পাৰিব।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়খনে নিবনুৱা সমস্যা সমাধানত কিমানখিনি অৰিহণা যোগাইছে বুলি আপুনি ভাবে?

উত্তৰ ঃ মহাবিদ্যালয়খনে নিবনুৱাৰ সমস্যা সমাধানত নিশ্চয় কিছু পৰিমাণে অৰিহণা যোগাইছে। কিন্তু কিমান সংখ্যকে উচ্চ পদস্থ চাকৰিত অধিষ্ঠিত হৈছে? তথাপিও কিছু সংখ্যকে বিভিন্ন বিভাগত চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী চাকৰি লাভ কৰিছে। অকল বিকালী মহাবিদ্যালয়ে নহয় এনে ধৰণৰ বহু সংখ্যক অনুষ্ঠানে বৰঞ্চ নিবনুৱাৰ সংখ্যা বৃদ্ধিতহে সহায় কৰিছে। প্ৰতি বছৰে হাজাৰ হাজাৰ উচ্চ শিক্ষিতৰ সৃষ্টি হৈছে। সেই অনুপাতে সংস্থাপনৰ ব্যৱস্থা হোৱা নাই। ফলত সমাজত অনৈতিকতা তথা বিশৃংখলতাৰ আৰু অস্থিৰতাৰ সৃষ্টি হৈছে। এই সমস্যা সমাধানত মহাবিদ্যালয় সমূহে বৃত্তিগত শিক্ষা তথা প্ৰযুক্তিগত শিক্ষা প্ৰৱৰ্তন কৰিব লাগিব যাতে শিক্ষা সাং কৰি ওলাই অহাৰ পিছত চৰকাৰী বা অৰ্দ্ধচৰকাৰী সংস্থাপন নহ'লেও স্বাৱলম্বী প্ৰচেষ্টাৰে নিৰ্ভৰশীল হ'ব পাৰে। এই দিশত বিকালী মহাবিদ্যালয়ে নতুন খোজ আগবঢ়াব লাগে।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়খনে উন্নতিৰ দিশে আগবাঢ়িবলৈ হ'লে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব বুলি আপুনি ক'ব বিচাৰে?

উত্তৰ ঃ মহাবিদ্যালয়খনে আশানুৰূপ উন্নতি লাভ কৰিবলৈ হ'লে শৈক্ষিক মানদণ্ড উন্নত হ'ব লাগিব। অকল নম্বৰৰ মানদণ্ডই নহয় ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক-মানসিক আৰু আধ্যাত্মিক উন্নতিও লাভ কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰতিভাৰ শৰীৰ আৰু মন পৰিপুষ্ট। সুপ্ত হৈ থকা প্ৰতিভাবোৰ বিকাশৰ ক্ষেত্ৰ প্ৰস্তুত কৰিব লাগিব।



শ্ৰীযুত ধনেশ্বৰ ৰাভা

গোৱালপাৰা জিলাৰ কোঠাকুঠি নিবাসী মাননীয় শ্ৰীযুত ধনেশ্বৰ ৰাভা ডাঙৰীয়া এগৰাকী স্বাধীনতা সংগ্ৰামৰ লগত জড়িত ব্যক্তি, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰাক্তন কাৰ্য্যবাহী সদস্য, কোঠাকুঠি গাঁও পঞ্চায়ত এলেকাৰ উপৰিও ধূপধৰা আৰু গোৱালপাৰা জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোত ভাবে জড়িত সমাজ কৰ্মী আৰু সাহিত্য চৰ্চা কৰা লোক। সমগ্ৰ অঞ্চলত আৰ্থ-সামাজিক অৱস্থাৰ প্ৰগতি বিচৰা এই গৰাকী অশীতিপৰ প্ৰায় চাৰি কুৰি বৰ্ষ গৰকা সমাজ কৰ্মী জনে অঞ্চলৰ কৃষি, শিক্ষা, সংস্কৃতি আদিৰ বিকাশ তুৰান্বিত কৰাৰ বাবে জীৱনজুৰি অহোপুৰুষাৰ্থ কৰি আহিছে। বিভিন্ন সমাজ সেৱামূলক কৰ্ম ৰাজীৰ ভিতৰত এইজন আদৰ্শৱান ব্যক্তি বিকালী মহাবিদ্যালয়ৰ সৈতে জন্মলগ্নৰে পৰা আজিকোপতি জড়িত হৈ আছে। বিকালী মহাবিদ্যালয়ৰ প্ৰসৱ বেদনাৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ জয়-জয় ময়-ময় অৱস্থাত চাক্ষুষ শ্ৰদ্ধেয় ৰাভাদেৱক খন্তেকৰ বাবে লগ পাইছিলোঁ। তেখেতে নিজ মুখেৰে ব্যক্ত কৰা বিভিন্ন দিশৰ অভিজ্ঞতাসমূহ এক চমু সাক্ষাৎকাৰৰ মাজেৰে প্ৰকাশ কৰিছিলি। উক্ত সাক্ষাৎকাৰৰ হুবহু ৰূপ তলত দাঙি ধৰিলোঁ।

প্ৰশ্ন ঃ আপুনি বিকালী মহাবিদ্যালয়ৰ লগত কেতিয়াৰ পৰা জড়িত হৈ আছিলে ?

উত্তৰ ঃ বিকালী মহাবিদ্যালয়খন ১৮৮২ চনত জন্মলগ্নৰ উপৰিও ১৯৬৭ চন "বিকালী ডিহি উন্নয়ন সমিতি" গঠন প্ৰক্ৰিয়াত মহাবিদ্যালয় গঠনৰ প্ৰথম গুৰুত্ব দি ১৯৭৪ চনত সৰ্ব সন্মতি ক্ৰমে মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই অৱধি দিন ধৰি আজি ২০১৮ চনলৈ ৩৬ টি বছৰ পৰা কৰি যোৱা ২০০৭ চনত মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী উৎসৱ মহা সমাহাৰেৰে পালন কৰা হৈছে। এনেদৰে পূৰ্বৰে পৰা মই মহাবিদ্যালয়খনৰ লগত জড়িত হৈ আহিছোঁ।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়ৰ প্ৰতি আপোনাৰ অনুভৱ কেনেধৰণৰ ?

উত্তৰ ঃ মোৰ গোটেই জীৱন পৰিক্ৰমাত ইয়াতকৈ সন্তোষৰ কথা মই ভাবিব নোৱাৰো।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰাৰ

পিছৰে পৰা বৰ্তমান সময়লৈকে কিমানখিনি উন্নতি লাভ কৰিব পাৰিছে বুলি আপুনি ভাবেনে?

উত্তৰঃ মহাবিদ্যালয়খন প্ৰথমতে ৰাইজৰ দান-বৰঙণিৰে শ্ৰেণীকোঠাবোৰ টিনপাট লগাই বাঁহৰ বেৰেৰে সজা হৈছিল। NACC ৰ C++ মূল্যাংকনৰ সন্মান জনাই K.G.C. ৰ মঞ্জুৰীকৃত আগৰ ঘৰসমূহ বাতিল কৰি বিল্ডিঙলৈ ৰূপান্তৰিত কৰাৰ অভিযান চলিছিল। বৰ্তমান মহাবিদ্যালয়খনে আগৰ তুলনাত বহুখিনি উন্নতি লাভ কৰিছে বুলিয়ে ক'ব পাৰি।

প্ৰশ্ন ঃ বৰ্তমান উঠি অহা যুৱ প্ৰজন্মৰ বিষয়ে আপুনি কি ক'ব বিচাৰে?

উত্তৰঃ যুৱ প্ৰজন্মৰ মান অকল ছাত্ৰ-ছাত্ৰীয়ে নহয় আমি চৰকাৰী খাওঁতাৰ ভিতৰত সকলোৱে দায়বদ্ধ। সমাজখন সচেতন হ'বলৈ হ'লে সমাজৰ সকলো ব্যক্তিয়ে উঠি অহা যুৱ প্ৰজন্মই সক্ৰিয় হ'ব লাগিব।

প্ৰশ্ন ঃ মহাবিদ্যালয়ৰ আলোচনী এখনৰ মানদণ্ড কেনে ধৰণৰ হোৱাটো উচিত বুলি আপুনি ভাবে?

উত্তৰঃ মহাবিদ্যালয়ৰ আলোচনী এখনতে মহাবিদ্যালয়খনৰ সবিশেষ তথ্য পাতি পোৱা যায়। সেয়ে মহাবিদ্যালয়ৰ আলোচনী 'বিকালিয়ান' এখন নিৰ্ভৰযোগ্য আলোচনী হ'ব লাগে তাৰোপৰি মহাবিদ্যালযখনত থকা জাতি গোষ্ঠীগত সন্থাসমূহেও নিজাববীয়াকৈ আলোচনী প্ৰকাশ কৰি আহিছে। সেয়ে আলোচনীখনৰ মানদণ্ড উন্নত হোৱা উচিত।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়খনে আমাৰ এই শৈক্ষিক দিশৰ অগ্ৰগতিত কিমানদুৰ অৰিহণা যোগাব পাৰিছে বুলি আপুনি ভাবে?

উত্তৰঃ প্ৰথম অৱস্থাত মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নগণ্য আছিল। শিক্ষা গ্ৰহণ কৰিবৰ বাবে ঘৰে ঘৰে গৈ অভিভাৱকসকলক বুজাই-বঢ়াই ছাত্ৰ-ছাত্ৰী আনিব লগা হৈছিল। কিন্তু বৰ্তমান মহাবিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটোত অগ্ৰগতি লাভ কৰা দেখা গৈছে। সেই অনুপাতে ভাল ফলাফলো আমি লাভ কৰিবলৈ সক্ষম হৈছে। বহুকেইখন গাঁৱৰ শিক্ষাৰ প্ৰাণ স্বৰূপ এই মহাবিদ্যালয়খন হৈ উঠাৰ বাবে মই খুবেই সন্তুষ্ট অনুভৱ কৰো।

প্ৰশ্ন ঃ বিজ্ঞান আৰু বাণিজ্যৰ লগতে স্নাতকোত্তৰ শাখা বিকালী মহাবিদ্যালয়ত নতুনকৈ প্ৰতিষ্ঠিত হৈছে। ইয়াৰ ওপৰত আপুনি কিমান আশাবাদী?

উত্তৰঃ বিকালী মহাবিদ্যালয়খনত প্ৰতিষ্ঠা লাভৰে পৰা কলা শাখাই উন্নত ফলাফল দেখুৱাই আহিছে। তাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়খনত বিজ্ঞান, বাণিজ্য আৰু স্নাতকোত্তৰ শাখাৰ প্ৰয়োজন অনুভৱ কৰি নতুনকৈ প্ৰতিষ্ঠা কৰা হয়। ইয়াকেই কয় সাফল্যৰ ক্ৰমন্নোতি। চৰকাৰ আৰু ৰাইজৰ এয়াই সাফল্য। ইয়াৰ ওপৰত মই খুবেই আশাবাদী। আশা কৰো মহাবিদ্যালয়খনৰ প্ৰতিটো শাখাই উন্নতি লাভ কৰক।

প্ৰশ্ন ঃ মহাবিদ্যালয়খনে এই অঞ্চলটোৰ কুসংস্কাৰ, অন্ধবিশ্বাস আদি আঁতৰোৱাত অৰিহণা যোগাব পাৰিছে বুলি আপুনি ভাবেনে?

উত্তৰঃ মহাবিদ্যালয় খনৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰে শিক্ষিত হৈ কুসংস্কাৰ, অন্ধবিশ্বাস আদিক উপলব্ধি কৰি সেইবোৰ সমাজৰ পৰা নিৰ্মূল কৰাৰ বাবে সংগ্ৰামত নামিব লাগে। তেতিয়াহে এখন সমাজৰ পৰা এনেবোৰ বদ্ধমুল ধাৰণা নোহোৱা হ'ব।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়খনে নিবনুৱা সমস্যা সমাধানত কিমানখিনি অৰিহণা যোগাইছে বুলি আপুনি ভাবে?

উত্তৰঃ নিবনুৱা সমস্যা ভয়ংকৰ সমস্যা। এই নিবনুৱা সমস্যা আগতেও আছিল আৰু ভৱিষ্যতেও হয়তো থাকি যাব। নিবনুৱা সমস্যা কিছু পৰিমাণে কমিব, কিন্তু ইয়াৰ অন্ত নহয়। বিকালী মহাবিদ্যালয়খনেও কিছু

পৰিমাণে ইয়াৰ ওপৰত অৰিহণা যোগাব পাৰিছে বুলি মই ভাবো।

প্ৰশ্ন ঃ বিকালী মহাবিদ্যালয়খনে উন্নতিৰ দিশে আগবাঢ়িবলৈ হ'লে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব বুলি আপুনি ভাবে?

উত্তৰ ঃ উন্নতিৰ পদক্ষেপ এনেদৰেই চলি থাকিব। মহাবিদ্যালয়খেন উন্নতিৰ দিশে ক্ৰমে আগবাঢ়ি গৈ আছে আৰু এনেদৰে প্ৰচেষ্টা হাতত লৈ সকলোৱে আগবাঢ়ি যাব লাগিব।

●●●



নিকিতা খাখোলাৰী

## বিকালীৰ গৌৰৱ

যোৱা ২০১৭ চনত বঙাইগাঁৱৰ বিৰঝৰা কন্যা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অবিভক্ত গোৱালপাৰা জিলাৰ মহাবিদ্যালয়সমূহৰ শ্ৰেষ্ঠ গায়ক-গায়িকাসকলৰ মাজত হোৱা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত বিকালী মহাবিদ্যালয়ৰ ছাত্ৰী মিচ্ নিকিতা খাখোলাৰীয়ে প্ৰথম পুৰস্কাৰ বোটলি আনিবলৈ সক্ষম হয় আৰু মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই লৈ আনে। ইয়াৰ উপৰিও আন আন বিভিন্ন স্থানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহত সুন্দৰ নৃত্য, গীত পৰিৱেশন কৰি নিজৰ উজ্বল ভৱিষ্যতৰ পৰিচয় দাঙি ধৰে। ২০১৭ আৰু ২০১৮ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকা মিচ্ নিকিতা খাখোলাৰীৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

গল্প

# উদাস বৰুৱাৰ কলম

ৰাশেল চৌধুৰী
স্নাতকোত্তৰ চতুৰ্থ ষান্মসিক

"The mass of man lead life quite desperation" শৈশৱত হেমন্ত খুড়াৰ মুখত শুনা Henry Devid Thoro ৰ বাক্যটো আজি তিনি ঘণ্টাৰ বিফলতাই পুনৰ সোঁৱৰাই দিলে বৰুৱাক। তিনি ঘণ্টাৰ পূৰ্বে বাক্যটোৰ সৈতে সম্পূৰ্ণ বিচ্ছিন্ন আছিলো। আজি কিবা এটা লিখিব লাগিব, টিউচন বজাৰ সকলো বন্ধ।" বাৰে বাৰে একেটা বাক্য উচ্চাৰণ কৰি কৰি বৰুৱা বিছনাৰ পৰা উঠি দুখোজমান দুৱাৰৰ ফালে আগবাঢ়ি ধৰি আকৌ ভৰি দুখন পিছুৱাই আনি বহি পৰিল। মূৰত চিন্তা। অলপ স্ফূৰ্তি, দীৰ্ঘদিনীয়া হেঁপাহ আৰু ক্ষোভবোৰ কলমৰ আগলিৰে পূৰণ কৰা।

ডিছপ্লেত পাঁচটা দাঁত উলিয়াই হাঁহিছে ৰমেনৰ মাকৰ মিছ্‌কল। ৰমেনহ'তে যে অপেক্ষা কৰি আছে ২২ বছৰীয়া মূৰত মাজে মাজে কঁহুৱা ফুল গুজি লোৱা বৰুৱাৰ বুজিবলৈ বাকী নাথাকিল। সময় আবেলি বাৰ বাজি তিনি মিনিট। ঘণ্টা আৰু মিনিটৰ কটা দুডাল ৩০° কোণ কৰি বহিছে। বাহিৰত এটা কুকুৰ ২০৫ ভল্টৰ ফকাচত খিৰিকীৰে জাপ মাৰি বৰুৱাৰ চকু দুটা কামুৰি ধৰিলে কুকুৰটোৰ ঘৃণনীয় শৰীৰ। প্ৰশ্নবোধ নেজডাল লৰিছে, মূৰটো মাটিত লগাই কিবা যেন শুহিছে। শ্বাসনলীৰে হো-হোকৈ বৈ অহা উষ্ণঘন কাৰ্বন গেছৰ কোবত ধূলিবোৰ উৰি গৈ নাকৰ চাৰি ইঞ্চি দূৰত পৰিছে। হুঁচিয়াৰি খোজ ভৰিত পুনৰ একে কৰ্ম। এজাক পোহৰ আহি থিয় দিলে বৰুৱাৰ বুকুত।

আহঃ লাইন আহিল; ভালে হ'ল। লাইন নাথাকিলে টেবুলখনে সুখত ওৰণি দি বহি থাকে। বহুদিন ধৰি ধেনুভিৰীয়া শব্দবোৰ মূৰত কামুৰিছে, অন্ততঃ মূৰটো পাতল হ'ব। বাইদেউ যি কয় ক'ব আজি টিউচন বন্ধ। ওঁঠ দুটা জপাই বৰুৱাই বিছনাৰ পশ্চিম দক্ষিণ কোনটো ওপৰলৈ তুলি বুঢ়া আৰু তৰ্জনি আঙুলিৰে বিড়ি এডাল তুলি চেপেটা মূৰটো শেতা ওঁঠ দুটাৰ মাজত সোমাই দিলে। দিয়াচলাইৰ পিঠিত শলা এডাল মাৰি দিয়াৰ লগে লগে ৰঙা অংশখিনি মাটিত সৰি পৰিল। পুনৰ বাকচটো তৰ্জনি আঙুলিৰে ঠেলা মাৰাত ভিতৰৰ আমত আকৃতিৰ সদৃশ খিনি ৪৫° কোণ কৰি শুই থকা কাঠিডাল ওলাল। বৰ কৌশলেৰে মাৰিব লাগিব, ৰুমত আৰু দিয়াচলাই নাই।

ঠিক মাজভাগত মধ্য আঙুলিৰ অলপ ওপৰত তৰ্জনিৰ বিপৰীতফালে বুঢ়া আঙুলিৰে ধৰি পুনৰ চেষ্টা কৰাৰ লগে লগে জ্বলি উঠিল বহ্নি। আঁজলিৰে জুইকুৰা মেৰিয়াই ওঁঠ দুটা জোঙা কৰি বুঢ়া আঙুলিৰ কাষেদি বিড়িডাল সোমাই দিয়াৰ লগে লগে আৰম্ভ হ'ল ধ্বংস লীলা। জোৰকৈ টান এটা মাৰি কলমটো তুলি লোৱাতেই দুটা পাহাৰীয়া সুৰঙাৰে ধোঁৱাবোৰ ওলাই আহিল।

বগা ধক্‌ধকা বহীখন মেলি কলমেৰে মূৰত মাৰি মাৰি ভাবিবলৈ ধৰিলে—"কি লিখিম! কবিতা, গল্প, উপন্যাস? ধেৎ উপন্যাস ইমান দীঘলীয়া ৰচনা। আজিৰ মানুহৰ জানো সময় আছে পঢ়াৰ? যা হওঁক গল্প এটাই লিখো। গল্প আকৌ সৌন্দৰ্যৰ কাৰ্যৰ দৰে, বৰ্ণনা, ভাষা, বিষয়, ভাব পৰিৱেশ আৰু পৰিসৰ সকলোতে লাগে নৈপুণ্য। নহ'ব, গল্প নহ'ব। কবিতা লিখো সহজ কাম। তাতে আৰু আজিৰ কবিতা, পানীৰ দৰে। ছন্দ, ভাব, ভাষাশৈলী চবতে স্বতন্ত্ৰ। যাৰ বাবে কবিতাই লিখো।"

বৰুৱাই বহীখন ঠিক কৰি ল'লে এটা কবিতাৰ বাবে। হ্ৰস্ব ই-কাৰ (ি) টো বগীলৰ ডিঙিৰ দৰে, 'ত'ৰ আকাৰ ডাল আইতাৰ লাখুটিৰ দৰে। ওপৰৰ ঠিক মধ্যাংশত লিখিলে 'কবিতা'। টৌবৰণীয়া ৰেখা এডাল টানি কাষত লিখিলে উদাস বৰুৱা।

বৰুৱাৰ এইবোৰ নতুন চিন্তা - "কোন বিষয়ৰ কবিতা লিখিম? ৰাজনৈতিক প্ৰেম, ধৰ্মীয় নে বিজ্ঞানভিত্তিক? ৰাজনৈতিক কবিতা লিখিলে নেতাবোৰ বেয়া নাপাব? কোনেনো শুবিন খোজে নিজৰ গুপুত অংগৰ ইতাহস? ধেৎ কি কৈছা নেতাবোৰ জানো কবিতা পঢ়ে?"

কলমৰ মূৰডাল বহীখনৰ ওপৰত হেলনীয়াকৈ ধৰি প্ৰথম শব্দটো লিখাৰ বাবে মূধচৰ ফাক এটাৰে দিছপুৰৰ পৰা দিল্লীলৈ ঘূৰি আহিও নাপালে শব্দ এটা। পাঁচ মিনিট কলমডাল কামুৰি কামুৰি থিৰাং কৰিলে প্ৰেমৰ কবিতা। 'কোনবোৰ প্ৰেমৰ কথা লিখিম, নিজৰাৰ পানীত গা ধুই ধুই গানগোৱা সোঁতৰ বহুৰীয়া পাহাৰীয়া গাভৰুজনীৰ? যিয়ে জোপোহাৰ আঁৰত কাপোৰ সলাওতে উচপি উঠে নিজৰ বক্ষ দেখি? নে ৰাতি অৰ্ধ নগ্ন কায়াৰে ভিডিঅ' কলত যৌনাচাৰণ কৰা আজিৰ দ্ৰৌপদীৰ প্ৰেম গাথা? নহয় লিখা নাযাব। এনে কৰিলে সাহিত্যত মাতৃক উলঙা কৰা হ'ব।"

এজাক গভীৰ হুমনীয়া আহি হেঁচা ঠেলাকৈ বহি পৰিল বৰুৱা ৰুমত। লগে লগে জঁপিয়াই জঁপিয়াই পুখুৰীত একেলগে গা ধোৱা, ভেধলা বৰুৱা বুলি জোকাওঁতে চুলিত ধৰি টনা-টনি কৰা অতীতৰ সোণোৱালী গাঁৱলৈ বৰুৱাক চোঁচৰাই লৈ গ'ল। স্কুলত থকা সময়ত পায়েলে সুধিছিল - "তোৰ ভালপোৱা কোনজনী?" আঃ সিদিনা যদি কোৱা হ'লেহেঁতেন!

অতীতক লৈ কবিতা লিখিবলৈ ভাবোতেই মনত পৰিল - "তাই মোক ভাল পাইছিল জানো? নে অকল বন্ধু আছিল। যদি বিজ্ঞানৰ প্ৰেক্টিকেল আৰু বীজ গণিতৰ বাবে এই সৰলতা হয়? তাই পঢ়িব জানো মোৰ ভঙা-ছিঙা কবিতা! তাইৰ বাৰু বিয়া হৈছেনে? কাৰ লগত মেহৰাজৰ লগত? তেতিয়াই যে অলপ হলি গলি থকা যেন লাগিছিল!

সময় গধূলি ৬:০২। মন্দিৰৰ পৰা ঘণ্টা ধ্বনি উৰি আহিছে। উকা বহীখনৰ ওপৰত কলমটো দলিমাৰি বৰুৱা ওলাই গ'ল।

●●●

**অভ্ৰান্ত বাণী**

● "যদি কোনোবা মানুহেকয় - মই ঈশ্বৰক ভাল পাওঁ, কিন্তু মানুহক ঘৃণা কৰোঁ, তেন্তে তেওঁ মিছলীয়া। চকুৰে দেখা মানুহক ভাল নোপোৱা মানুহজনে চকুৰে নেদেখা ঈশ্বৰক কেনেকৈ ভাল পাব পাৰে?"
— বাইবেল

গল্প

# নিহাৰিকা

▫ বিকাশ ৰাভা ▫
স্নাতক চতুৰ্থ ষন্মাসিক

আজি বিকি আৰু অভিনাশৰ মহাবিদ্যালয়ত প্ৰথমটো দিন দুয়োজনেই এই দিনটোলৈ বৰ আগ্ৰহেৰে বাট চাই আছিল। অৱশেষত সেই দিনটো আহিল। দুয়োজনে কিছু নাৰ্ভাছ...।

- অভিনাশ ঃ মোৰ দেখোন কিবা ভয় ভয় লাগি আছে অ' বিকি।

- বিকি- কিয় আমি ইয়ালৈ চুৰ কৰিব আহিছো নেকি... নে কাৰবাৰ লগত কাজিয়া কৰিম বুলি আহিছো এই দুয়োটা কাৰ্যৰে আমিতো এটাও কৰিম বুলি ইয়ালৈ অহা নাই, আমি আহিছো আমাৰ ভৱিষ্যৎ গঢ় দিবলৈ। ইয়াত আমৰ ভয় কিহৰ?

দুয়োজনে কথা-বতৰাৰ মাজেৰে মহাবিদ্যালয়ৰ সন্মুখত উপস্থিত হ'ল ; এনেতে দুজনমান ল'ৰা আহি আহি বিকিৰ সন্মুখত থিয় হ'ল হি বিকি - অভিক উদ্দেশ্যি তোমালোক নতুন আহিছে নেকি...?

- হয় দাদা আমি নতুন আহিছো।

- আমাক দেখি ভয় খাইছা নেকি? আমি তোমালোকক একো নকৰো । মাত্ৰ এষাৰ কথাই কব আহিছো, ডাঙৰক সদায় সন্মান দি চলিবা আৰু এই মহাবিদ্যালয়খনৰ ফলাফল যোৱা দুই বছৰমানৰ পৰা বহুত নিম্নমানৰ হৈছে গৈ গতিকে তোমালোক এতিয়াৰ পৰাই পঢ়াৰ প্ৰতি গুৰুত্ব দিবা। এতিয়া যাব পৰা।

বিকি আৰু অভিনাশে সেই ঠাইৰ পৰা আঁতৰি আহি নিজকে এজাক ক'লা ধুমুহাৰ পৰা ৰক্ষা কৰা যেন পালে। তেওঁলোকৰ প্ৰথম দিনটো ইমান এটা ভাল নাছিল । কাৰণ দুয়োজনে ক্লাছ ভালকৈ নাপালে আৰু ক্লাছ ৰুটিনখন লগত নাছিল। দিনবোৰ বাগৰি গৈ থাকিল। বিকি আৰু অভিনাশৰ লাহে লাহে মহাবিদ্যালয়খন আপোন হৈ পৰিছিল কাৰণ মহাবিদ্যালয়খনৰ পৰিৱেশ, নীতি-নিয়ম, শিক্ষাগুৰুসকলৰ মৰম-চেনেহে তেওঁলোকক আকৰ্ষিত কৰিছিল।

- উঠা বিকি ৮ বাজিলে, এতিয়ালৈ বাৰু কোনোবাই শুই থাকেনে... উঠা উঠা বুলি বিকিৰ মাকে বিকিক জগালে ।

- কি ৮ বাজিল! মোৰ দেখোন ৯ বজাৰ পৰা ক্লাছ আছে। বিকিয়ে তৎক্ষণাত বিছনাখন এৰি মুখ-হাত ধুই কলেজলৈ বুলি খোজ ল'লে।

- ভাতখিনি খাই যাবলৈ সময় নাইনে তোমাৰ?

- সময় কাৰো বাবে বৈ নাথাকে মা!

- প্ৰথমে সময়ৰ সৎ ব্যৱহাৰ কৰিবলৈ শিকা পিছত এইষাৰ কথা শুনাবি।

ৰাস্তাত বিকিয়ে দেউতাকক লগ পালে। "দেউতা আজি আপোনাৰ অফিচ বন্ধ নেকি?"

- নহয় আজি মই চুটি লৈছো। এইবোৰ বজাৰ কৰিবৰ বাবে। দেউতাকে মিচিকীয়া হাঁহি এটা মাৰি আজি কিমান তাৰিখ?

- মে'ৰ ১০ তাৰিখ , কিয় দেউতা?

- কিবা বুজিলানে, মই তাৰিখৰ কথা কিয় সুধিছো। আজি তোমাৰ জন্ম দিন বিকি।

- অ' দেউতা, সঁচাকে মই পাহৰি গৈছিলো। কিনো উপহাৰ আনিছা মোলৈ?

- এই ছাটিখন।

- এইখনৰে মই কি কৰিম?

- আজি বতৰটো ইমান ভাল নহয় বৰষুণ অহাৰ সম্ভাৱনা আছে।

- কি যে কয় দেউতা, আকাশত দেখোন এটুকুৰা ডাৱৰ দেখিবলৈ নাই; উপায় নই যিহেতু মোৰ উপহাৰ লৈয়ে যাওঁ....। অ' দেউতা মই এতিয়া দৌৰিব লাগিব। মোৰ হাতত সময় একেবাৰেই নাই bye দেউতা। বিকিয়ে সময়মতে ক্লাছ পালে যদিও তেওঁৰ ক্লাছত মন নবহিল। কেৱল নিজৰ জন্ম দিনৰ কথাহে ভাবি থাকিল। ক্লাছবোৰ শেষ কৰি বিকিয়ে ঘৰমুৱা হ'ল। কিছু দূৰ অহাৰ পিছত বিকিৰ গাত বৰষুণৰ টোপাল পৰিবলৈ ধৰিলে। লগে লগে বিকিয়ে বেগটোৰ পৰা ছাটিতো উলিয়াই মেলি ল'লে আৰু গৈ থাকতো হঠাৎ পিছফালৰ এটা ধ্বনি ভাঁহি আহিল, হেল্লো... হেল্লো...। বিকিয়ে লগে লগে পছিফালে ঘূৰি চালে আৰু দেখিলে তেওঁৰফালে এজনী ছোৱালী দৌৰি দৌৰি আহি আছে। ছোৱালীজনীয়ে আহিয়েই বিকিৰ ছাটিৰ ভিতৰত সোমালে আৰু ক'বলৈ ধৰিলে...

- বাছ ষ্টেণ্ডত মোৰ বান্ধৱী এজনী বৈ আছে দেৰি কৰিলে আমনি পাব। তোমাক পিছে মানিছো দেই আজি যে বৰষুণ পৰিব তুমি কেনেকৈ জানিলা?

বিকিয়ে মচিকিয়া হাঁহিৰে - অ' মই জানো কাৰণ মোৰ দেউতা এজন বতৰ বিজ্ঞানী আৰু এই ছাটিখন মোক দেউতাই দি পঠিয়াইছে। ইয়াৰ পৰা বুজিব পাৰি মোৰ দেউতা এজন কিমান অভিজ্ঞ বতৰ বিজ্ঞানী।

- অ' হয় নেকি! মোৰ দেউতা এজন আৰক্ষী বিষয়া।

- মই তোমাক সোধা নাছিলো।

- অ' মই অলপ বেলেগ, আন ছোৱালীবোৰৰ দৰে লাজকুৰীয়া ছোৱালী নহয়, তুমি হয়তো বুজিছাই। এদিনতে কোনো অচিনাকী ল'ৰা এজনৰ লগত কোনো ছোৱালীয়ে ইমান সহজভাৱে কথা নাপাতে...। মোৰ নাম নিহাৰিকা। উচ্চতৰ মাধ্যমিক কলা শাখা, কলেজত দেখিলে মাতিবা।

- নিশ্চয়

- মই মোৰ ঠাই আহি পালো। মোৰ বান্ধৱীজনী ইয়াতেই কৰোবাত বৈ আছে ছাগে, ধন্যবাদ।

বিকিয়ে ঘৰ আহি পোৱাৰ লগে লগে মাক-দেউতাকৰ লগত অভিনাশেও জন্ম দিনৰ শুভেচ্ছা জ্ঞাপন কৰিলে। দেউতাকে তেওঁক মটৰ চাইকেলৰ ছাবি হাতত তুলি দি -"তুমি এতিয়া ডাঙৰ হ'লা, আনক জ্ঞান দিব পৰা ক্ষমতা অৰ্জন কৰিছা, তোমাৰ জীৱনটো তুমি নিজেই গঢ়িব লাগিব আৰু তোমাৰ সাচতীয়া সপোনবোৰ বাস্তৱত ৰূপায়িত হওক তাৰেই কামনা কৰিছো। দেউতাকৰ কথা শুনি বিকিৰ দুচকুত অশ্ৰু নামিছিল। কিন্তু সেই অশ্ৰুৰ টোপালত বিষাদৰ ৰস নাছিল।

নিহাৰিকাই তাইৰ বান্ধৱীসকলৰ লগত ক্লাছত বহি ক্লাছ কৰি আছিল। ক্লাছ প্ৰায় মধ্যভাগ পাইছে হঠাৎ দৰ্জাখন খুলি 'আমি সোমাব পাৰিম নে ছাৰ?' সোমাই আহা। বিকি আৰু অভিনাশ সোমাই আহিল। নিহাৰিকাই বিকিক দেখাৰ লগে লগেই তাইৰ বান্ধৱীবোৰক বিকিৰ পৰিচয় দাঙি ধৰিলে। যোৱা কালি সেইজন ল'ৰাৰ লগতে মই বাছ ষ্টেণ্ড পাইছিলো। তেওঁৰ দেউতাক হেনো বতৰ বিজ্ঞানী। যোৱাকালি বৰষুণ দিয়াৰ কথাটো তেওঁ হেনো আগতীয়াকৈ খবৰ পাইছিল। লগৰ এজনী বান্ধৱীয়ে মাত লগালে-

- 'মহাশয়া, ইয়াত আমি আপোনাৰ ভাষণ শুনিবলৈ অহা নাই। গতিকে কিছু সময়ৰ বাবে আপোনাৰ ভাষণ স্থগিত ৰাখিলে আমি আনন্দিত হ'ম'। কিছু সময় পিছত ক্লাছটো শেষ হ'ল। নিহাৰিকাই এজনী বান্ধৱীৰ সৈতে বিকিৰ ওচৰলৈ গ'ল। নিহাৰিকাই বিকিক উদ্দেশ্যি 'হাই' তোমাৰ নামটো জানিব পাৰিম নেকি?

- নিশ্চয়, মোৰ নাম বিকি।

- OK বুলি কৈ নিহাৰিকা সেই ঠাইৰ পৰা আতৰি আহিল। অভিনাশে ৰব নোৱাৰি মাত লগালে-

- বিকি মই এইবোৰ কি দেখিছো?

-একো নাই, যোৱা কালি এই ছোৱালীজনী মোৰ লগত বাছ ষ্টেণ্ডলৈ গৈছিল। তাইৰ নাম নিহাৰিকা। দেউতাক এজন আৰক্ষী বিষয়া।

- বিকি তুমি নিহাৰিকাৰ লগত বেছি হলি-গলি কৰিবলৈ চেষ্টা নকৰিবা। নহ'লে জানো.. . চিৰিয়াখানাৰ ভালুকটোৰ দৰে গৰালত জীৱন কটাব লাগিব। বিকিয়ে অভিনাশৰ কথা শুনি হাঁহিবলৈ ধৰিলে।

- চোৱা অভিনাশ তোমাৰ দৰে ভবা হ'লে সকলোৱে কিজানি বন্ধু হোৱাৰ পৰা বিৰত থাকিল হেঁতেন। এই বিশাল পৃথিৱীখন বিশ্বাস ভৰসাৰ এটি মাত্ৰ শব্দটোৱে ই হ'ল বন্ধু। জীৱনৰ প্ৰতিটো খোজত আমাক বন্ধুৰ প্ৰয়োজন। বন্ধু শব্দটো

বহুত পৱিত্ৰ। ইয়াক তুমি অপৱিত্ৰতাৰ ৰং সানিবলৈ চেষ্টা নকৰিবা।

নিহাৰিকা গছৰ তলত বহি থাকোতে পাহীয়ে সেই স্থানত উপস্থিত হৈ ক'বলৈ ধৰিলে-

- নিহাৰিকা হাতত বহী-কলম লৈ গছৰ তলত বহি কাৰ বাবে কবিতা লিখিছা?

- পাহী তোমাৰ বিকিক কেনেকুৱা লাগে?

- কিয়? ল'ৰাটো বেয়া নহয় ছাগে।

- এনে মুখৰ পৰা পিছলি গ'ল অ'।

- অ' ... হয় নেকি। মোক আৰু বুজাব নালাগে নিহা, তোমাৰ কথাত, দেহৰ ভাজত মই দেখোন বিকিক দেখিবলৈ পাইছো। কথাটো কি নিহা?

- কথা ক'বলৈ আহিছো, মই কিবা বিকিক ভাল পাও নেকি?

- এই একেটা প্ৰশ্নকে তুমি নিজক সুধি চোৱা, উত্তৰ পাই যাবা।

- ছোৱা পাহী কাৰোবাক ভাল পাবলৈ হ'লে প্ৰথমে তেওঁক জানিব লাগিব। তেওঁৰ হৃদয়ৰ ভাষাবোৰ বুজি পাব লাগিব, তেওঁৰ প্ৰতিটো কথাই হৃদয় স্পৰ্শ কৰিব লাগিব। এই প্ৰত্যেক যদি কাৰোবাৰ হৃদয়ত জাগে তেনেহ'লে তেওঁ সেইজনৰ প্ৰেমত পৰিছে। কিন্তু মোৰতো তেনেকুৱা একোৱেই হোৱা নাই।

- মই এইবোৰ বিশ্বাস নকৰো। আচলতে নিহা প্ৰেম হ'ল এনেকুৱা এটা বস্তু যিয়ে কোনো সময়ৰ বাবে অপেক্ষা নকৰে, পৰিৱেশৰ বাবে অপেক্ষা নকৰে, কাৰবাৰ বিষয়ে বুজিবলৈ অপেক্ষা নকৰে। প্ৰেম হৈ যায় ইয়াক ইচ্ছা অনুযায়ী কৰা নযায়।

- বিকি মোৰ বন্ধু প্ৰেমিক নহয় আৰু তুমি কেতিয়াৰ পৰা প্ৰেম পূজাৰী হ'লা? প্ৰেমৰ ওপৰত যে ইমান ভাষণ দিব ধৰিছা যে।

- নিহা, মই এজন ল'ৰাক ভাল পাও। সিয়ো মোক বহুত ভাল পায়। কিন্তু ঘৰতহে কথাটো জনাব নোৱাৰো। কাৰণ মোৰ প্ৰেমিক এজন ড্ৰাইভাৰ। কেনেবাকৈ আমাৰ সম্পৰ্কৰ কথাটো দেউতাৰ কাণত পৰিলে মোৰ সকলো ৰাস্তাই বন্ধ হৈ পৰিব।

- পাহী, এইটো একো ডাঙৰ কথা নহয়। ল'ৰাজন বেকাৰটো নহয়। বৰ্তমান প্ৰায়বোৰ ল'ৰা-ছোৱালীৰে হাতে হাতে ডিগ্ৰী-ডিপ্লমাৰ চাৰ্টিফিকেট, সেইবুলি সকলোওৱে চাকৰি পাইছে জানো। তুমিয়ে কোৱাচোন?

- মই বুজি পাও নিহা কিন্তু মোৰ দেউতাক বুজাব কোনে....।

- সঁচাকৈ আমাৰ ছোৱালীবোৰৰ হৃদয়ৰ ভাষাবোৰ কোনেও বুজিবলৈ ইচ্ছা নকৰে। আমাৰো মন যায় স্বাধীন মনে মুকলি আকাশত উৰি ফুৰিবলৈ। কিন্তু আমাৰ ডেউকাবোৰ শিকলীৰ মাজত আবদ্ধ। আজিৰ সমাজে আমাক সন্মান দিছে ঠিকেই কিন্তু আমাক স্বাধীনতাৰহে আৱশ্যক। কাৰণ আজিলৈকে আমি পূৰ্ণ স্বাধীনতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। আমি বৰ্তমানৰ ছোৱালী, ঘৰৰ চাৰি বেৰৰ মাজত আবদ্ধ হৈ কেৱল ঘৰৰ কাম-বন কৰাই আমাৰ সপোন নহয়। আমাৰ অন্য এক সপোন হৈছে সাঁচতীয়া সপোনবোৰক বাস্তৱত ৰূপায়িত কৰা।

- সঁচাকৈ নিহা তোমাৰ কথাবোৰ মানিবলগীয়া। আজিৰ সমাজে সন্মাতকৈ ধন-সম্পত্তিকহে বেছি গুৰুত্ব দিয়ে। নিহাৰিকা আৰু পাহীয়ে তেওঁলোকৰ মনৰ কথাবোৰ পাতি থাকোতে এনেতে পিছফালৰ পৰা এজনী বান্ধৱীয়ে মাত লগালে...

- ঐ, নিহা-পাহী, ঘৰলৈ নোযোৱা নেকি? হা... ইমান সময়েনো কিহৰ সভাখন পাতিছিলি আহা যাও সকলোৱে ৰৈ আছে।

পিছদিনাখন নিহাৰিকাই অকলশৰে গছৰ তলত বহি আছিল। বিকিয়ে তাইৰ ওচৰলৈ গৈ হায়... নিহাৰিকা কি ভাবি আছ অকলশৰে বহি আছা যে, তোমাৰ বান্ধৱীবোৰ ক'ত?

- সিহঁতে প্ৰেক্টিকেল কৰি আছে। যোৱাকালি পাহীয়ে মোৰ আগত তাইৰ মনৰ কথাবোৰ প্ৰকাশ কৰিছিল আৰু তাই এজন ল'ৰাক ভাল পায়। ল'ৰজন ড্ৰাইভাৰ যাৰ বাবে পাহী দেউতাকক কথাষাৰ ক'ব পৰা নাই। কথাটো ভাবি বেয়া লাগি আছে। নিহাৰিকাৰ কথা শুনি বিকিয়ে এজাক ধুমুহাৰ দৰে হাঁহি দিয়াত নিহাৰিকাই খঙেৰে কলে - তোমাক ইমান গুৰুত্বপূৰ্ণ কথা এটা কলো তুমি বলিয়াটোৰ দৰে হাঁহিছা যে! তহঁত ল'ৰাবোৰক একো এটা কথাই ক'ব নোৱাৰি। সকলোবোৰ হাঁহি-ধেমালীৰ মাজেৰে উৰুৱাই দিয়া। বিকিয়ে হাঁহি হাঁহি ক'লে-

- নিহাৰিকা হাঁহিৰ অৰ্থ বলিয়া নহয় আৰু ল'ৰাবোৰে যিকোনো কথাই হাঁহি-ধেমালীৰ মাজেৰে পাতো। ইয়াৰ অৰ্থ এইটো নহয় যে আমি সকলো কথাই হাঁহি হাঁহি উৰুৱাই দিও। আমাৰ দৰে বলিয়া ল'ৰাবোৰৰ মনোতো তোমালোকৰ দৰে বহুতো গুৰুত্বপূৰ্ণ কথা লুকাই থাকে। কিন্তু আমাৰ চকুজুৰিয়ে

ইয়াক ঢাকি ৰাখে। আমি জানো আমাৰ কিছুমান কথা আনৰ আগত প্ৰকাশ কৰি একো লাভ নাই । কাৰন সকলোবোৰৰ সমাধান আমি নিজেই কৰিব লাগে বাবে এখন হাঁহিৰ আৱৰণ পিন্ধি আমি আগুৱাই যাবলৈ চেষ্টা কৰো।

- মই এতিয়া যাও বিকি।

-কিয় ?

- তোমাৰ হাতত ওলমি থকা বস্তুটোৰ ফালে এবাৰ চকু পেলোৱা, উত্তৰ পাই যাবা।

- নিহাৰিকা মোৰ তোমাৰ লগত এটা কথা আছিল। কিন্তু আজি নহয় ; অহাকালি।

-আজি ক'লেও মই একো বেয়া নাপাও। ঠিক আছে অহাকালিলৈ বাট চাই থাকিম।

বিকি আৰু অভিনাশ ঘৰলৈ উভতি আহিল। মই অহা কালি নিহাৰিকাক মোৰ মনৰ কথা কম অভিনাশ।

- মই জানো নিহাৰিকাই তোমাক ভাল পায়।

- বিকিয়ে মোক অহাকালি মনৰ কথা ক'বঅ' পাহী।

- তুমি কেনেকৈ জানিলা ?

- বিকিৰ চকুজুৰিত মই নিজক দেখা পাইছিলো। ময়ো বিকিক বহুত ভাল পাও।

- নকলেও হ'ব গোটেই কলেজখনে জানে তোমালোকৰ কথা। কিন্তু কোনেও নাজানে তোমালোকে যে এতিয়াও ইজনে-সিজনক মনৰ কথা কোৱা নাই।

বিকি আৰু নিহাৰীকাই দুয়োজনী ৰাতিটো উজাগৰে কটালে। কিবা এটা উচপিচনীয়ে দুয়োজনকে যেন আগুৰি ধৰিছে। অহা কালিৰ পৰা তেওঁলোক বন্ধুৰ ঠাইত প্ৰেমিক-প্ৰেমিকা হ'ব। কিবা এটা বিশেষ শিহৰণে দুয়োজনকে ৰোমাঞ্চিত কৰি তুলিছে। অৱশেষত সেই ৰঙীন দিনটো আহিল। পুৱাৰ সূৰুযে বিকিক যোগাই দিলে। বিকিয়ে মনত সাহস গোটাই কলেজলৈ যাত্ৰা আৰম্ভ কৰিলে।

আজি নিহাৰিকাক আগতকৈও বেছি ধুনীয়াজনী হৈছে। তাইক দেখিলে সকলোৰে হয়তো মনৰ কথা ক'বলৈ মন যাব। মই বহু ভাগ্যবান নেকি ! বিকিৰ মনটো বহুত ভাবনাই খেলিছিল। নিহাৰিকাই সেই গছ ডালৰ তলতেই বৈ আছে। বিকি নিহাৰিকাৰ ওচৰলৈ গ'ল।

- নিহাৰিকা তোমাৰ ক্লাছ নাই নেকি? বিকিৰ মাতত তাই উচপ খাই উঠিল।

- এইটো সুধিবৰ বাবে তুমি ইয়ালৈ আহিছে নেকি?

- সঁচা কথাটো হ'ল তোমাক আজি আগতকৈ বেছি ধুনীয়া লাগিছে।

- মই এতিয়া যাব পাৰোনে?

- কেনেকৈ ক'ম... মই তোমাক ভাল পাও নিহাৰিকা।

- কেনেকৈ কোৱা সেইটো ডাঙৰ কথা নহয়। মই তোমাৰ হৃদয়ৰ মাজত থকাটোহে ডাঙৰ কথা। মই জানো তুমি যে মোক ভাল পোৱা আৰু ময়ো তোমাক বহুত ভাল পাও বিকি। এনেতে হঠাৎ বিকিৰ মোবাইল ফোনটো বাজি উঠিল। মোবাইলটো উলিয়াই

- হেল্লো মা

- বিকি তুমি সোনকালে আহা। তোমাৰ দেউতাৰাৰ Accident হৈছে। খুড়াৰে আৰু মই মেডিকেললৈ লৈ আনিছো। বিকিয়ে এক ছেকেণ্ড পলম নকৰাকৈ দৌৰিবলৈ ধৰিলে আৰু বিকিক দেখি অভিনাশে পিছে পিছে খোজ ল'লে। সেই সময়খিনিত বিকিৰ চকুজুৰিয়ে কথা কৈছিল অভিনাশে বিকিক প্ৰত্যক্ষ কৰিয়ে গম পাইছিল যে হ'ব নলগা কিবা এটা হৈছে। দুয়োজনে ইউনিৰ্ফমেৰে হস্পিতাল পালেহি। বিকিৰ মাক চকীখনত বহি কান্দি আছে লগত থকা বিকিৰ খুড়াকক বিকিয়ে সুধিলে - 'দেউতা কেনে আছে? মই এবাৰ দেউতাক চাব পাৰিম নে? ডক্টৰে কি কৈছে....?'

- তোমাৰ দেউকাত আই.চি.ইউত ভৰ্ত্তি কৰা হৈছে। এতিয়ালৈ একো খবৰ পোৱা নাই। বিকিয়ে বলিয়াটোৰ দৰে ইফালে-সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে।

- বিকিৰ দেউতাকৰ কি হৈছে? অভিনাশে বিকিৰ খুড়াকক সুধিলে।

- তুমি গম নোপোৱা নেকি?

- নাপাও খুড়া। মই বিকিৰ লগত নাছিলো। দূৰৰ পৰাই দেখিছিলো বিকিয়ে ফোনটো কাণত লৈয়ে দৌৰিবলৈ আৰম্ভ কৰিছিল আৰু ময়ো বিকিৰ পিছে পিছে।

- বিকিৰ দেউতাকৰ Accident হৈছে। মূৰত বেয়াকৈ আঘাত পাইছে। এতিয়া ডক্টৰে ছোৱা-চিতা কৰি আছে। কিছু সময়ৰ পিছত ডক্টৰ ওলাই ঘৰৰ সদস্য এজন বিচাৰিলে আৰু এখন লিষ্ট বিকিৰ হাতত তুলি দি ঔষধ কেইটা আনিবলৈ দি ডক্টৰে ব্ৰেইনত কষ্ট পাইছে আৰু সুস্থ হৈ উঠাতো সময় লগিব। বাকি সকলো ঠিকেই আছে। ১৮-২০ দিন মান হস্পিতালত ৰাখিব লাগিব বুলি ক'লে।

খুড়াকে বিকি আৰু অভিনাশক হস্পিতালখনত থকাৰ দায়িত্ব দি তেওঁলোক ঘৰলৈ উভতি আহিল। এনেকৈয়ে ২০ দিন পাৰ হৈ গ'ল। বিকিৰ দেউতাক সম্পূৰ্ণ সুস্থ নহয় যদিও ঘৰলৈ লৈ আনিলে। বৰ্তমান এষাৰ-দুষাৰ কথা কয়।

বিকিয়ে ২০ দিনৰ পিছত কলেজত ভৰি দিলে আৰু বন্ধুসকলে তেওঁৰ খবৰৰ লগতে দেউতাকৰ খবৰ ল'লে। ইমানবোৰ বন্ধু-বান্ধৱীক কাষত পাইয়ো বিকিৰ মনটো শান্তি হোৱা নাই। তেওঁ যেন কাৰোবাক বহুত Miss কৰিছে।

দিনবোৰ বাগৰি গৈ থাকিল। নিহাৰিকাৰ কোনো খবৰ নাই। বিকিৰ ধৈৰ্যৰ সীমা পাৰ হৈ গ'ল। বিকিয়ে অভিনাশক বাইকৰ পিছত বহিব দি এপাক ফুৰি আহোঁগৈ বুলি কলে আৰু দুয়ো কিছু দূৰ গৈ থাকোতে অভিনাশে মাত লগালে-

- বিকি ক'ত যোৱা। বাইক ঘূৰোৱা, নহ'লে মই নামি দিম।

- নিহাৰিকাৰ ঘৰত অভিনাশ। তাইক এবাৰ চাবৰ মন গৈছে। বহুত দিন হৈ গ'ল তাইক নেদেখা। আগতকৈ বেছি ধুনীয়া হৈছে চাগৈ। চাবা তাই মোক দেখাৰ লগে লগে লাজত ৰঙা-চিঙা পৰিব। বিকিৰ কথা শুনি অভিনাশে কান্দিবলৈ ধৰিলে আৰু ক'লে - 'বিকি তুমি নিহাৰিকাকক পাহৰি যোৱা। তাইৰ অহাকালি বিয়া। তাইৰ দেউতাকে তোমালোকৰ কথাবোৰ গম পাইছে হেনো বেংক মেনেজাৰ এজনৰ লগত বিয়া ঠিক কৰা বুলি শুনিছো। অভিনাশৰ কথা শুনাৰ লগে লগে বিকিৰ দুচকুয়েদি অশ্ৰুৰ নৈ ব'বলৈ ধৰিলে। বাইকখন ৰখাই মুকলি আকাশৰ তললৈ গৈ -'অভিনাশ তুমি মোৰ প্ৰকৃত বন্ধু নহয়। হোৱা হ'লে এইষাৰ কথা তুমি মোক আগতে কলা হেতেন।'

- চোৱা বিকি, মই এই কথাষাৰ যোৱাকালিহে গম পাইছিলো। মোক পেহীয়ে কৈছে। এইখিনি সময়ত জানো কিবা সম্ভৱ।

- নহয়, তাই বিয়া হ'ব নোৱাৰে অভিনাশ। নিহাৰিকা কেৱল মোৰ। তাই কেনেকৈ এইখন বিয়াৰ বাবে মান্তি হ'ব পাৰে মোৰ বিশ্বাস হোৱা নাই। মই এতিয়াই নিহাৰিকাৰ ঘৰলৈ যাম আৰু তাইক সুধিম 'তুমি মোৰ লগত বিয়াত বহিবানে?'

- বিকি, বলিয়া নহবি। তোমাক তেওঁলোকে মাৰি পেলাব।

- মই ভয় নকোৰো অভিনাশ। বিকিয়ে বাইকখন লৈ নিহাৰিকাৰ ঘৰলৈ গ'ল। পদুলিৰ সন্মুখত থিয় হৈ বিকিয়ে চিঞৰিবলৈ ধৰিলে - 'নিহাৰিকা ছোৱা মই আহিছো। তোমাৰ বলিয়া প্ৰেমিক বিকি।' নিহাৰিকাৰ ঘৰৰ পৰা এজন মানুহ আহি কলে- 'এতিয়া চিঞৰি একো লাভ নাই। যি হ'বলগীয়া আছিল হৈ গ'ল।' বিকিয়ে কথাষাৰৰ অৰ্থ একো বুজি নাপালে। বিকিয়ে দীঘলীয়া খোজেৰে নিহাৰিকাৰ চোতাল পালে। নিহাৰিকৰ চোতালৰ পৰিস্থিতিয়ে বিকিক আচৰিত কৰিছিল কাৰণ অহাকালি নিহাৰিকাৰ বিয়া আনাকি ৰভাখনৰ কাপোবোৰ খুলিবলৈ আৰম্ভ কৰিছিল। নিহাৰিকাৰ দেউতাকে বিকিৰ ওচৰলৈ আহি ক'লে-

- তোমাৰেই নাম বিকি নেকি?

- হয়, বিকিয়ে উত্তৰ দিলে।

- নিহাৰিকাৰ দেউতাকে কান্দি কান্দি বিকিক সেৱা কৰিলে আৰু এখন চিঠি হাতত তুলি দি এইখন লোৱা বিকি আৰু ইয়াৰ পৰা যোৱাগৈ। বিকিয়ে চিঠিখন মেলি ল'লে আৰু ঘৰমুৱা হ'ল।

প্ৰতি,

মৰমৰ মা আৰু দেউতা। আপোনালোকৰ প্ৰতিটো কথাই মই আজিলৈকে আখৰে আখৰে পালন কৰি আহিছো কিন্তু আপোনালোকৰ এই সিদ্ধান্তত মই সন্মত নহয়। মই এজন ল'ৰাক ভাল পাওঁ। তেওঁৰ নাম বিকি। মই তেওঁৰ অবিহনে আনৰ কথা কল্পনাই কৰিব নোৱাৰো। মই এই কথা আপোনালোকক কম কম বুলি ভাবি আছিলো কিন্তু সাহস গোটাব পৰা নাছিলো আৰু মোৰ মনৰ কথা জানিবলৈ আপোনালোকৰ সময় ক'ত? দেউতা মোৰ এই অন্তিম ক্ষণত আপোনালোকৰ কথা ভাবি দুখ লগা নাই। দুখ লাগিছে মোৰ বিকিৰ কথা ভাবি। কাৰণ তেওঁক মই নিজতকৈ বেছি ভাল পাওঁ। আজি মই আত্মহত্যাৰ দৰে জঘন্য কাৰ্য এটা কৰিবলৈ ওলাইছো মাত্ৰ আপোনালোকৰৰ বাবে। আপোনালোকে মোক ক্ষমা কৰিব।

টকা-পইচাৰে বিলাসী গাড়ী, ঘৰ সাজিব পাৰি কিন্তু এখন সঁচা হৃদয়ৰ মৰম, ভালপোৱা কিনিব নোৱাৰি।

ইতি-

তোমাৰ মৰমৰ পাত্ৰী

নিহাৰিকা

●●●

গল্প

# স্মৃতিৰ পাত এখিলা

■ নিতুল নাথ ■
স্নাতক চতুৰ্থ ষাণ্মাসিক

"ভালকৈ পঢ়িবা, তুমি সদায় আগুৱাই যোৱা তাৰেই কামনা মোৰ। তোমাৰ চিনাকি সদায় পঢ়াই দিব... জীৱনৰ শেষ সময়লৈকে পঢ়াই তোমাক আনৰ আগত পৰিচয় কৰাই দিব।" — অলেখ অযুত এনেহেন ভালপোৱা বা মৰমৰ সমিধান আগবঢ়োৱা সেই সপোনৰ লগৰীজনী মোৰ বাবে অতিকৈ আপোন। প্ৰতিটো কঠোৰ বাস্তৱৰ সন্মুখীন হ'বলৈ তাই মোক শিকালে। মনত সাঁচি ৰখা সপোনবোৰ দিঠকলৈ পৰিণত কৰিবলৈ ঘূৰি ফুৰোঁতে এদিন লগ পাইছিলো সেই পৰীজনীক। তাইৰ মিঠা চাৱনি, শুৱলা মাতে মোক বৰকৈ আকৰ্ষণ কৰিলে। পাহৰিব নোৱাৰা স্মৃতি বুকুত দি থৈ গ'ল সেই লগৰীজনীয়ে। হেঁপাহৰ কাৰেং সাজি স্মৃতিৰ চিৰ দলিল লিপি লিখি আঁতৰি গ'ল মোৰ কাষৰ পৰা।

ভালপাওঁ বাবেই তাই মোৰ বাবে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধুনীয়া হৈ পৰিছিল। বহুদিনৰ পৰা মাথো তাইক চাইছিলো। একোৱেই ক'ব পৰা নাছিলা। আন দিনাৰ দৰে সেইদিনাও তাইক দেখিছিলো লগৰীকেইজনীৰ সৈতে এখোজ দুখোজকৈ আগবাঢ়িছে কলেজৰ ক্লাছ ৰুমলৈ। মন গৈছিল যেন সেই ৰঙা ৰঙৰ কৃষ্ণচূড়া ফুল এপাহ তাইৰ হাতত তুলি দি জীৱনৰ সংগী হ'বৰ বাবে আৱেদন জনাম।

এক অস্থিৰ ভাবনাৰ সতে মই মাথো তাইৰ বাবেই সদায় ৰৈ আছিলো সেই কৃষ্ণচূড়া গছডালৰ তলত। আজি মোৰ বাবে তাই অতীত সোঁৱৰণ হৈ ৰ'ল। পোৱা-নোপোৱাৰ হেজাৰ বিজাৰ সংকটৰ সন্মুখত তাই মোক পাহৰি থাকিল। "কংকনা" মনত আজিও শিহৰণ জাগি উঠে, অতি পুৰণি পুৰণি লগা সেই লগৰীজনীৰ নামটো মনত পৰিলে। তাইৰ মিচিকিয়া হাঁহিৰ সৈতে ফুলকুঁমলীয়া মুখখন, ধীৰ-স্থিৰ গতিৰে লগৰীকেইজনীৰ সতে খোজ কঢ়া দেখিলেই যেন মনত এক অজান আকাংক্ষাৰ ঢৌ উঠিছিল। তাইৰ সেই চাৱনি আৰু মোৰ মনৰ উদ্দীপনাক স্থিৰ ৰূপ দিয়াৰ বাবে সকলোবোৰ কথা সিদিনা খুলি কলো....। একো সঁহাৰি নাপালো তাইৰ পৰা, মাত্ৰ মোৰ কথাবোৰ শুনিলে আৰু এটা মিচিকিয়া হাঁহি মাৰি মোৰ কাষৰ পৰা গুচি গ'ল।

প্ৰথম বাবে মই প্ৰেমৰ গভীৰতা বুজিব টান লাগিছিল। পিছদিনাখন আগৰ দৰে কৃষ্ণচূড়া গছডালৰ তলত বন্ধুজনৰ সৈতে বহি ৰৈ আছিলো মৰমীজনীৰ বাবে। তাই আহিছে বন্ধুজনে দেখা মাত্ৰকে মোক ক'লে- আজি প্ৰথমবাৰৰ বাবে তাইৰ চকুত চাইছো এক অজান প্ৰেমৰ সোৱাদ পাইছিলো তাইৰ চকুৰ মাজত। মোৰ কাষত আহি তাই মাত্ৰ এষাৰ কথাই ক'লে যি মোৰ বাবে কল্পনাৰ অতীত - "I love you too..." মই পাহৰি গৈছিলো মোৰ বৰ্তমানক। তাই মোৰ ভালপায় আৰু মইয়ো তাইক ভালপাওঁ। প্ৰতিটো সুন্দৰ ৰাতিপুৱা মোৰ বাবে

নতুন হৈ পৰিছিল। এনেকৈ যেন চিৰদিন পাৰ হ'ব তাৰ আশাত মোৰ জীৱনে এক নতুন গতি লৈছিল। প্ৰতিটো ৰাতিপুৱাৰ মাজত মই বিচাৰি পাইছিলো তাইৰ মৰমৰ সমিধান। এনেকৈ আমাৰ সপোনবোৰ বাস্তৱ ৰূপ লৈ আগবাঢ়িল।

কংকনা এতিয়া উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী আৰু মই স্নাতক বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ। ভাব বিনিময়ৰ তাই মোক ফোন নম্বৰটো মোক দিলে। আনন্দত যেন মোৰ মনটোৱে নাচি উঠিছিল। পাৰভঙা হেঁপাহে মনত ঠাই লৈছিল। মই মৰমীজনীক বহুত ভাল পাই পেলাইছিলো। এতিয়াৰে পৰা ফোনত সদায় আবেলি তাইৰ সতে কথা পাতো আৰু দুয়ো দুয়োৰে মনৰ সকলো ভালপোৱা উজাৰি দিওঁ। এনেদৰে আমাৰ মাজত গভীৰ সম্পৰ্ক গঢ়ি উঠিল।

তাইৰ প্ৰতি থকা প্ৰতিটো কথা কলমৰ ভাষাৰে হয়তো বুজিবলৈ  আজি বিচাৰিছো। এতিয়া যে তাই মোৰ বাবে মাত্ৰ স্মৃতিৰ পাটত আবদ্ধ।

আজিও মনত বাৰুকৈয়ে খুন্দিয়াই থাকে সেইষাৰ কথা, যিদিনা মই কলেজ এৰি বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহিম তাৰ আগদিনাখন তাইৰ সতে কটোৱা পাৰ্কখনৰ আহত গছজোপাৰ তলত দুয়ো বহি থকা মুহূৰ্তত। তাই কৈছিল— মই সদায় তোমাৰেই, মই তোমাক নিজতকৈ বেছি বিচাৰো, প্ৰতিটো দিন তুমি মোৰ এনেদৰে কাষত থকাৰ সপোন ৰচো। তুমি তাত গৈ ভালকৈ পঢ়িবা, তোমাৰ পৰা সদায় মই ভাল ফল আশা কৰো- I really love you । মই একেথৰে তাইৰ চকুজুৰিৰ ফালে চাই থাকিলো একোকে ক'ব নোৱাৰিলো। মই ভাবিব পৰাই নাছিলো তাইয়ো যে মোক ইমান ভাল পায়। বহুত কথা কম বুলি ভাবি তাইক লগ কৰিছিলো কিন্তু তাইৰ সেই মিঠা চাৱনিৰ চকুজুৰিত নিয়ৰ কোমল পানীৰ টোপাল দেখি মই পাহৰি গৈছিলো, মোৰ মনৰ সকলোবোৰ কথা। এনেদৰে আমি আহত গছজোপাৰ তলত দুঘণ্টা পাৰ কৰিলো, এনে লাগিল যেন সেই দুঘণ্টা দুই মিনিটত শেষ হ'ল। আমি দুয়ো ঘৰলৈ আহিবলৈ ওলালো যাবৰ সময়ত তাই মোক এখন চিঠি হাতত দিলে আৰু ক'লে ঘৰত গৈ চাবা। মনত যদিওবা হেজাৰ ভালপোৱা তথাপি জীৱনৰ লক্ষ্যক লৈ সতৰ্ক হ'বলৈ তাৰ প্ৰেৰণাই বা আবেগসনা কথাবোৰে উৎসাহ যোগাইছিল। সেই বগা কাজখনত ৰঙা কলমেৰে লিখা আখৰবোৰৰ মাজত যি আৱেগ সোমাই আছিল সেয়া আজি অতীত হৈ পৰিছে। চিঠিখনৰ প্ৰতিটো শব্দতেই মোৰ প্ৰতি থকা গভীৰ প্ৰেম প্ৰকাশিত হৈছিল। হিয়াখন কঁপি উঠে চিঠিখনৰ সেই জীপাল শব্দবোৰ পঢ়িলে।

বিশ্ববিদ্যালয়ত পঢ়ি মই গম পালো যে পঢ়াৰ মাজত সকলোৱে কেনেকৈ ইজনে সিজনতকৈ ভাল নম্বৰ ৰাখিব বিচাৰে, কাক কেনেকৈ পিছ পেলাই থ'ব পাৰে ইত্যাদি ইত্যাদি। আৰু বন্ধুসকলৰ মাজত সোমাই পৰি মইয়ো অতি বেছি সময় পঢ়াত দিব লগা হ'ল। দিনটো ক্লাছ, আবেলি প্ৰেক্টিকেল, গধূলি আকৌ পঢ়া, এনেকৈয়ে দিনবোৰ পাৰ হ'ব ধৰিলে। যদিওবা ফোনত কথা কমকৈ কৈছিলো তথাপি মোৰ ভালপোৱাৰ পৰিমান কমা নাছিল বৰং যিখিনি সময় কথা পাতিছিলো বৰ উৎসাহ, আনন্দ অনুভৱ হৈছিল। তাইৰ মিঠা ভৰা চাৱনি, মৰম লগা কথা আৰু ফোনটো এৰাৰ আগেত I really love you সেইবোৰ কথাই মনটো সদায় সজীৱ কৰি ৰাখিছিল। এনেদৰেই বিশ্ববিদ্যালয়ত প্ৰায় ছমাহ পাৰ হ'ল।

সেইদিনাখনৰ ৰাতি প্ৰায় ১১ বাজি পাৰ হৈছে, মই তেতিয়া কিতাপ এখন হাতত লৈ শুই শুই পঢ়ি আছিলো। কংকনাই ফোন কৰিছে মোক। মই ফোনটো ধৰিলো। এয়া তাইৰ এক অদ্ভুত প্ৰশ্ন- মই তোমাৰ নহ'লে তুমি থাকিব পাৰিবানে? মই ভাবিলো তাই ধেমালি কৰিছে আৰু সেয়ে মই উত্তৰ দিলো - কিয় সুধিলা? তুমি কোনোবা ভাল ল'ৰা পালা নেকি? তাই হঠাৎ কান্দি দিলে। মই ক'লো কি হৈছে তোমাৰ? তাই উত্তৰ নিদি কেৱল কান্দিয়ে থাকিল। মই ভাগি পৰিছিলো। একো নোকোৱাকৈ ফোনটো কাতি দিলে আৰু ফোনটো বন্ধ কৰি থৈ দিলে। হেজাৰ বিজাৰ চিন্তাই মোৰ অন্তৰখন কঁপাই তুলিছিল। গম পাই উঠিছিলো ভালপোৱাৰ গভীৰতা। মনটোক স্থিৰ কৰি ৰাখিব পৰা নাছিলো। নাজানিলো তাইৰ সেই প্ৰশ্নষাৰৰ উদ্দেশ্য। অন্ত নোহোৱা মনে ভাবিব নোৱাৰা আৰু যে কিমান বিশাল এই দুই আখৰেৰে গঠিত পিছলীয়া 'প্ৰেম' নামৰ শব্দটো। এনেদৰে শুই শুই ভাবি থাকোতে মোৰ টোপনি আহিলে।

ৰাতিপুৱা ৫ বাজিছে হঠাৎ মোবাইলৰ Alrm বাজি উঠিল। টোপনি যদিওবা আহিছিল টোপনিৰ মাজত মৰমীজনীৰ সৈতে সেই কৃষ্ণচূড়া গছডালৰ তলত পাৰ কৰা মুহূৰ্তবোৰৰ

সপোনে আগুৰি ধৰিছিল। ৰাতিপুৱা ৰবিবাৰ আছিল সেয়ে যদিও টোপনিৰ পৰা সাৰ পাইছো তথাপি কিন্তু শুইয়ে থাকিলো। ৯ বাজি পাৰ হৈছে তাইৰ এটা SMS আহিছে, মই পাগলৰ দৰে হৈ তাইক ফোন কৰিলো —

- কি কৰিছা

- এনেয়ে আছো; তুমি কি কৰিছা?

- মইয়ো এনেয়ে আছো। তোমাৰ যোৱাকালি কি হৈছিল, কিয় কান্দিছিলা তুমি? আৰু মোবাইল কিয় বন্ধ কৰি থৈছিলা?

- এনেয়ে দিয়া। তুমি ভাত খালানে?

- কোৱানা যোৱাকালি কি হৈছিল?

- নাই এনেয়ে সুধিছিলো, তুমি দেখো আজিকালি মোক বেছি ফোন নকৰা, সেই কাৰণে সুধিছিলো।

- নহয় অ'.. মই বহুত কামত থাকো, মানে দিনটো ক্লাছ, পঢ়া শুনা, আবেলি প্ৰেক্টিকেল, গধূলি Note কৰিব লাগে, পঢ়িব লাগে। তথাপি দেখোন মই গধূলি ফোন কৰোৱে।

-কৰা কিন্তু! তুমি মোক লাহে লাহে পাহৰি যাব ধৰিছা। সেই কাৰণে মই কান্দিছো।

- তুমি কিয় বুজা নাই! ভালকৈ বুজা না...!

এনেকৈ কিছু সময় কথা পাতিলো আৰু শেষত মই I really love you বুলি কৈ ফোনটো ৰাখিলো। ধাৰাষাৰ বৰষুণ হৈ সৰি পৰিছিল মোৰ সেই চিৰস্মৰণীয় দিনবোৰৰ কথা আৰু আৱেগ অনুভূতিৰে নিয়ৰসনা সেই সপোনবোৰৰ কথা। কতো সপোন সৃষ্টি হৈছিল, কতো অস্তিত্ব নোহোৱা ভাব কবিতা ৰূপত ফুটি উঠিছিল। মাথো তাইৰ বাবে, তাই সেইবোৰ বুজিবলৈ চেষ্টা নকৰিলে। মোৰ এই শূন্যতাৰ বিশাল হৃদয় পূৰণ হৈছিল মাত্ৰ তাইৰ আগমনত। মই কেতিয়াও ভাবিবো পৰা নাছিলো তাইৰ মুখত এনেহেন কথা শুনিব পাম বুলি।

দিনটো পাৰ হ'ল গধূলি তাইলৈ বুলি SMS পঠালো। এঘণ্টা পাৰ হৈ গ'ল তাইৰ কোনো প্ৰত্যুত্তৰ নাহিল। ভাবিলো মোবাইলটো কিজানি তাইৰ লগত নাই। ফোন কৰিলো ৰিচিভ কৰিলে তাই।

- কি হ'ল? কিয় ফোন কৰিলা?

- কি হ'ল মানে SMS কিয় Reply কৰা নাই?

- এনেই..

- কি হৈছে তোমাৰ; কিয় এনেকৈ কৈছে?

- একো হোৱা নাই।

এনেকৈ কৈ ফোনটো ৰাখিলে। মই বুজিব নোৱাৰাকৈ তাই সলনি হৈ গ'ল। মই ভাবি পাৰ পোৱা নাছিলো। কি হ'ল কংকনাৰ? কিয় এনেকৈ ক'লে? মই এনেহেন প্ৰশ্নৰ মাজত নিজেই সোমাই পৰিছিলো। আকৌ মই ফোন কৰিলো এবাৰ /দুবাৰ /তিনিবাৰ ফোন কৰিলো কিন্তু Receive নকৰিলে। মনটো ভাঙি গৈছিল, কাক কম মনৰ কথাবোৰ। কলমৰ চিয়াঁহীৰ দাগেৰে পৃষ্ঠা ভৰাই নানান মনৰ ভাব প্ৰকাশ কৰিলো। তাই মোক এতিয়া পাহৰি থাকিব পৰা হ'ল....! মই SMS দিলে প্ৰত্যুত্তৰ হিচাপে Reply নাহে। মই যেন পাগলৰ দৰে হৈ পৰিছিলো। মোবাইলটোত SMS আহিছে এটা, SMS টো দেখি মই মৰি যোৱা যেন পালো। মোৰ অতীত, বৰ্তমান সকলো শেষ হৈ গৈছিল সেই মুহূৰ্ত্তত। তাইৰ সতে দেখা সকলোবোৰ সপোন নিঃশেষ হৈ গৈছিল সেই SMS টো দেখি। "মই তোমাক ভাল নাপাওঁ- তুমি মোক পাহৰি যোৱা।"

মনত ভাব হৈছিল মই ভালপোৱা প্ৰকাশ কৰিব নাজানো নেকি? দিনৰ পাছত দিন বাগৰি গ'ল। বহুত আপোন হ'ল, বহু মিঠা মিঠা কথা কই মোৰ কঠিন মনটোক কোমলালে আৰু এতিয়া কৈছে মোক তাই ভাল নাপায়। তাইৰ এই কথাষাৰ শুনি মোৰ অন্তৰত কিমান দুখ লাগিব তাই এবাৰলৈও নাভাবিলে। সীমাহীন ভালপোৱাবোৰ লগতে নাইকিয়া কৰিব লগা হৈছিল। স্তব্ধ হৈ পৰিছিল মোৰ নিশাৰ প্ৰতিটো পল অনুপল। দেৱালত আঁৰি থোৱা ঘড়ীৰ কাটাৰ শব্দবোৰ মোৰ বাবে চিঞৰৰ কাতৰ হৈ পৰিছিল। বৰ কষ্টকৰ হৈ পৰিছিল তাইৰ পৰা আঁতৰি থকা প্ৰতিটো মুহূৰ্ত পাৰ কৰিবলৈ। এৰাতিক ১০ দিন যেন লাগিছিল তাইৰ মিঠা মাতৰ অবিহনে কোৱা - "এতিয়া তুমি টোপনি যোৱা!" এই কথাবোৰ মোৰ মনত বৰকৈ তাই নথকাৰ অনুভৱ কৰাইছিল। পাৰ কৰিব লগা হৈছিল বহু নিসংগতা। আকাশত তিৰ-বিৰ কৰি থকা সেই তৰাবোৰৰ মাজেৰেই বিচাৰি লৈছিলো জীৱনৰ সুখ।

এতিয়া কংকনাই পাহৰি পেলাইছে ভালপোৱাৰ প্ৰতিটো শব্দ। যিবোৰ শব্দৰ সৈতে মোৰ মাজত তাই চিৰদিন অতীত হৈ পৰি ৰ'ল। তাইৰ সেই এঘণ্টীয়া কথাবোৰৰ জৰিয়তে মোক

শিকাই গ'ল সুখ দুখৰ সৈতে যুঁজিবলৈ, জীৱনৰ প্ৰতিটো ধুমুহাৰ সতে সংঘৰ্ষ কৰিবলৈ। বহু নোপোৱাৰ সপোন মোৰ অন্তৰত ৰচি থৈ যোৱা মৰমীজনীয়ে এতিয়াও মোৰ মনৰ মাজত মাজে মাজে অহা -যোৱা কৰে। বৰকৈ অকলশৰীয়া যেন লাগিলে - বিশ্ববিদ্যালয়ত যোৱাৰ আগদিনাখন বহা সেই আহত গছজোপাৰ তলত এবাৰ যাওঁ আৰু তাই দিয়া সেই চিঠিখন মেলি চাওঁ। আজিও প্ৰেমিক চৰাইজনীয়ে পঠোৱা সেই SMS বোৰ পূৰণ কৰি দিয়ে নোপোৱা দুখ। আধা ভগা গানৰ কলি হৈ কেতিয়াবা কেতিয়াবা কলমৰ ৰঙা, নীলা চিয়াঁহীৰ দাগ হৈ বগা কাগজবোৰ ৰঙীন কৰিবলৈ বিচাৰো তাইৰ সেই সপোন কলিয়া SMS বোৰৰ যোগেদি। পাৰ হৈ যোৱা অতীত মুহূৰ্তৰ কাতৰ অনুৰোধ এতিয়া মৃদু ছন্দৰ ঢৌ তুলি বুকুত লহৰ সৃষ্টি কৰে। মন যায় খোলাকৈ ক'ব যেন মোৰ সকলো সফলতা কেৱল তাইক বিচাৰিয়ে বাস্তৱত ৰূপায়িত হৈছে।

সেয়ে আজি ডায়েৰি শুৰনি কৰিবলৈ বিষয়বস্তু বিচাৰিবলৈ কষ্ট হোৱা নাই সোৱৰণীৰ পাতবোৰ লুটিয়াই ছালে প্ৰতিটো পাতত নতুন নতুন পৃথিৱীৰ সোৱাদ পোৱা যায়। ডায়েৰিৰ অষ্টম পৃষ্ঠাত আবদ্ধ হৈ থকা সেই ক'লা ছোৱালীজনীৰ বাবে সৃষ্টি হোৱা 'স্মৃতিৰ পাট খিলা' আজিও পূৰণ কৰিব নোৱাৰিলো।

●●●

## অভ্ৰান্ত বাণী

- "বিশ্ব ব্ৰহ্মাণ্ডক বুজিবলৈ হ'লে প্ৰথমে এখন নিৰ্দিষ্ট সীমাবদ্ধ ঠাইত হাত দিব লাগিব। দূৰণিক ওচৰ কৰিবৰ উপায় হৈছে ওচৰৰ পৰা ক্ৰমে ক্ৰমে দূৰলৈ যোৱা। নিজৰ ভিতৰত এটা স্বাতন্ত্ৰ্যৰ অনুভূতি নহ'লে শক্তিৰ যথাৰ্থ বিকাশ হ'ব নোৱাৰে, এই শক্তি কোনো এফালে বিকশিত হ'বলৈ আৰম্ভ কৰিলেই সি সকলোপিনেই ক্ৰমেই বিকশিত হ'ব।"

  — আনন্দ চন্দ্ৰ আগৰৱালা

- "এটোপাল চিয়াঁহীয়ে লাখ লাখ লোকৰ চিন্তাৰ বাট খুলি দিব পাৰে।"

  — বাইৰণ

- "অন্ধকাৰক অভিশাপ দিয়াতকৈ এডাল মমবাতি জ্বলাই দিয়াটোহে অতি আৱশ্যক।"

  — কণ ফুছিয়াছ

- "প্ৰকৃত প্ৰগতিবাদী সমাজ এখন গঠন কৰিবলৈ হ'লে গণতন্ত্ৰৰ আৱশ্যক। কিন্তু গণতন্ত্ৰ ৰাজ্য স্থাপন কৰিবলৈ হ'লে ধনতন্ত্ৰবাদ মষিমূৰ কৰিব লাগিব। অন্যথা প্ৰকৃত প্ৰগতিবাদী সমাজ প্ৰতিষ্ঠা হ'ব নোৱাৰে।"

  — বিষ্ণুপ্ৰসাদ ৰাভা

- "সাজ-পোছাকে মানুহক ভদ্ৰ কৰি নোতোলে। সৎ চিন্তা আৰু সৎ শিক্ষাৰ দ্বাৰাইহে এজন প্ৰকৃত ভদ্ৰলোক হ'ব পাৰি।"

  — গান্ধীজী

গল্প

# বানৰ সোঁতৰ কিৰিলি

মিতালী কলিতা
স্নাতক ষষ্ঠ ষান্মাসিক

"মা অ' মা আমাৰ ঘৰটোত কিয় ইমান পানী সোমাইছে অ'.... ? আমি ক'ত থাকিম অ' মা।" পাঁচ বছৰীয়া কণমানি মণিৰ কথাষাৰত মামনীৰ বুকুখন উচপ খাই উঠিল। মামনী মণিৰ মাক। দুইজনীয়া এখন সৰু সংসাৰ সিহঁতৰ। হয়, চাৰিওপিনে কেৱল পানী আৰু পানী। এনেকুৱা এটা অৱস্থাতে মামনীয়ে তাই গিৰীয়েকক হেৰুৱাই শিৰৰ সেন্দুৰ মচি বিধৱাৰ সাজ পিন্ধিব লগা হৈছিল। চকুৰ পচাৰতে প্ৰৱাল বানৰ ঢৌৱে মানুহজনক উটুৱাই লৈ গৈছিল। মামনীয়ে মাথো চিঞৰিছিল ... "অ'ই কোন আছ ...মানুহজনক বচা ...বচা।" নাই তেওঁক বচাবলৈ কোনো এজনৰ সাহস হোৱা নাছিল। নিজৰ জীৱনটো সকলোৰে প্ৰিয়। মামনীয়ে আজিও দেখে আপোনজনৰ কৰুণ চিৎকাৰ। হয়, সেই মৃত্যুৰ ঘণ্টাই আজি সিহঁতকো হাত বাউলি মাতিছে। তাই ছোৱালীজনীক বুকুত সাবটি ওখ ঠাই এটুকুৰাত বহি ৰ'ল।

পলে পলে যেন মৃত্যুৰ কিৰীলি। তাই অসহায় হৈ পৰে। গাঁৱৰ সকলোৰে একেই দশা। তেনে অৱস্থাতে তাই কণমানিটোক লৈ ক'লৈ যাব। হঠাৎ আঁচলৰ পৰা পিছলি মণি তলত পৰি গ'ল। মামনীয়ে একো ধৰিবই নোৱাৰিলে। মণিয়ে কেৱল চিঞৰিলে "মা ...মা"। হয়, নিষ্ঠুৰ বানৰ সোঁতত মণি উটি গৈ নেদেখা হ'ল। মামনী অচেতন হৈ পৰিল আৰু নিজ একমাত্ৰ সংগী মণিৰ লগে লগে তাইয়ো সেই প্ৰৱাল বানৰ সোঁতত জাপ দিলে। গাঁৱৰ সকলোৱে কেৱল তবক লাগি চাই থাকিল। তেওঁলোকে নিশ্চিত যে সকলোৰে মৃত্যু কাষ চাপিছে। জীয়াই থকাৰ পচাৰতে দুটি কৰুণ চিঞৰ মাৰি মাতৃ আৰু জী আঁতৰি গ'ল পানীৰ বুকুত। এনেকৈয়ে নিষ্ঠুৰ ভাবে শেষ কৰিলে এটি পৰিয়াল।

●●●

অমৃত বাণী


- "প্ৰশ্নৰ উত্তৰে মানুহক জ্ঞান নিদিয়ে প্ৰকৃত জ্ঞান দিয়ে প্ৰশ্নটোৱেহে।"

— ইউজিন আয়নেস্কো

কবিতা

# বিলাই যাম এটি এটিকৈ

হৰফুল্ল ৰাভা
উঃ মাঃ প্ৰথম বৰ্ষ



মাজৰাতি আকাশৰ কোলাত
নিস্তব্ধ জোনাকে মিচিকিয়াই,
মিচিকিয়াই তৰাবোৰে।
বিলাব খোজে সিহঁতে মৰম আৰু
ভালপোৱাৰ জিলিকনি
আৰু আঁতৰাব বিছাৰে এন্ধাৰ আৰু এন্ধাৰ।
এন্ধাৰেও বিছাৰে এন্ধাৰ কৰিবলৈ,
পিছে...।
কেতিয়াবা ভাবো মইও সেই জোনটোৰ
দৰে হয়
এন্ধাৰ আঁতৰাম, পোহৰ আনিম
আৰু সদায় মিচিকিয়াই থাকিম।
ভালপোৱাবোৰ সকলোৰে মাজত
বিলাই যাম,
বিলাই যাম এটি এটি কৈ মৰমৰ টোপোলা।
উজ্জ্বল হয় জোনটোৰ দৰে
আৰু উজ্জ্বল কৰিম সকলোকে।
পিছে...।
নাজানো সময়ৰ ঠিকনা কি?
নুবুজো ইয়াৰ মূল্য কিমান?
নাজানো সময়ে কি শিকায়?
নুবুজো সময়ে কি বুজায়?
মাথোঁ জানো সময়ৰ কোনো সময় নাই
ৰৈ থাকিবলৈ।
অথবা জিৰণি ল'বলৈ
সেয়েহে মিলাই যাম মই
সময়ৰ সৈতে খোজ
আৰু আগবাঢ়িম সেই স্থানলৈ
যি স্থানত থাকিব মোৰ শেষ লক্ষ্য ।

●●●

# ৰাজবাৰী

জিকুমণি ৰাভা
স্নাতক ষষ্ঠ ষান্মসিক

কোচবিহাৰৰ সৌন্দৰ্য তুমি
কোচবিহাৰৰ ঐতিহ্য তুমি
ৰঙা বগা পোৱালমণিৰে
তুমি সজ্জিত
চৌদিশে সেউজীয়া দলিচা পাৰি
বৈ আছা কালৈ তুমি ?

তোমাৰ কাষৰ এই পুখুৰীটোত থকা
মাছ আৰু কাছবোৰে
ধিয়াই আছে কালৈ ?
কোচৰজাৰ সোণোৱালী সেই ইতিহাসলৈ।

তোমাৰ সেউজ বিভূষণেৰে মোৰ
মন ভুলালি
অনুপম সুন্দৰ ৰাজপ্ৰসাদ
তুমি ৰাজবাৰী।
সুবিস্তৃত স্বচ্ছ চৌপাশ
জিলিকি আছা ফটফটীয়া কই
অনিন্দ্য সুন্দৰ হই
থাকিবা তুমি সদায় হৃদয় জুৰাই।

●●●

# শূন্যতাৰ আৰ্তি

লিপিকা কলিতা
স্নাতকোত্তৰ দ্বিতীয় ষান্মাসিক

গোসাঁই ঘৰত গধূলিৰ
প্ৰাৰ্থনা ৰত মুহূৰ্তৰ
শূন্য বুকুৰ শূন্য ধামৰ
শব্দ ব্ৰহ্মাই
অৰ্ঘ্য যাচিছে।
তেওঁক নুসুধিবা
তেওঁক নুসুধিবা
তেওঁৰ ধৰ্ম কি ?
হৃদয়ত বাজিছিল ৰিণি ৰিণি গীতৰ কলি ....।
অনুভৱে জাকি মাৰি উঠে
শুনিছানে ? তেওঁ
কেনেকৈ চিঞৰিছে ?
চহৰখনে জানিছে
ঈশ্বৰ আহে
কোন পথেৰে !

●●●

# বেশ্যা

**ধনজ্যোতি ৰয়**
স্নাতক পঞ্চম ষান্মাসিক




বেশ্যা
সমাজৰ সৃষ্টি
এটি পৰিচিত নাম
কাপোৰ খুলিলেই
বেশ্যা নহয়।
বেশ্যা সজাইছে
আমাৰ সমাজৰ
ভদ্ৰতাৰ মুখ পিন্ধাসকলে
এই ভদ্ৰ সমাজত
ভদ্ৰৰ মুখা পিন্ধি
অভদ্ৰৰ কাৰ্য কৰা সকলৰ হাতত
নিৰ্যাতিতা তাই।
দৰিদ্ৰতাৰ মাজত
জীয়াই থকা সকলক
৲ দ্ৰতাৰ আসনত
নিজকে প্ৰতিষ্ঠিত কৰা
এচাম মুখা পিন্ধা লোকে
দৰিদ্ৰতাক বেশ্যালৈ
ৰূপান্তৰিত কৰিছে।
নিজৰ চৰিত্ৰ দোষত
মাতাল হৈ উন্মাদনাত
দৰিদ্ৰতাক নিজৰ ইচ্ছাত
প্ৰয়োগ কৰি নিজক সজাইছে
এজন সৃষ্টিকাৰী।

জৰাজীৰ্ণ পঁজাত থকা
সেই দৰিদ্ৰতাক
বেশ্যালৈ ঠেলি
নিজকে সমাজৰ
সু-ব্যক্তি হিচাপে
পৰিগণিত কৰা
তোমাৰ জীৱনৰ শ্ৰেষ্ঠতম লক্ষ্য
হে অন্ধ সমাজ
বেশ্যা নিজেই সৃষ্টি নহয়
এই সমাজৰ বেশ্যাৰ সৃষ্টি
ভদ্ৰ সমাজৰ ভদ্ৰ পাষণ্ডৰ হাতত ।

●●●

# বিকালী তুমি অনন্যা

মৌমিতা ৰয়
স্নাতক পঞ্চম ষান্মাসিক




২০১৪ বৰ্ষৰ এটি বিশেষ দিন
আজিও ৰিণি ৰিণিকৈ মনত পৰে
সেই দিনটোলৈ,
যিদিনা মই অলেখ সপোন বান্ধি লৈ
তোমাৰ বুকুত আশ্ৰায়িত হৈছিলোহি।
সেইদিনা অহা কিন্‌কিনীয়া এজাক বৰষুণে
মোক যেন তোমাৰ বুকুলৈ
সাদৰ সম্ভাষণ জনাইছিল।
তোমাৰ চিৰসেউজ মায়াৱী সৌন্দৰ্যত
মই আপ্লুত হৈ পৰিছিলো...
শাৰী শাৰীকৈ থকা বকুল গছবোৰে
তোমাৰ মনোমোহা দৃশ্য পান কৰিবলৈ
মোক যেন হাত বাউলি মাতিছিল...
আহ! কি অপূৰ্ব সৌন্দৰ্যৰ গৰাকী তুমি।
ৰঙাকৈ ফুলি থকা কৃষ্ণচূড়া জোপাৰ তলত
ষোড়শী গাভৰুবোৰৰ ঢৌ তোলা হাঁহিৰ উত্তালত
তুমি যেন বেছিকৈ তেজৰঙা হৈ ফুলিছিলা...।
ক্লাছৰ ফাঁকে ফাঁকে তোমাৰ চিৰসেউজ বুকুত
বিকালীয়ানসকলৰ কতনা আড্ডা....
সুখ-দুখ হাঁহি-ধেমালিত মুখৰিত হৈ উঠিছিল
কলেজ কেম্পাছ
বকুলৰ তলত কটোৱা সেই সময়,
অথবা কলেজ কেণ্টিনৰ গাখীৰ চাহকণ,
ৰঙা কৃষ্ণচূড়াৰ তলত বহি
উপভোগ কৰা তোমাৰ মায়াৱী সৌন্দৰ্য্য
সকলোবোৰ স্মৃতিৰ মানস পটত ভাঁহি উঠিব
তুমি জনম জনম লৈ সাক্ষৰিত হৈ ৰোৱা...
তোমাৰ বুকুতেই সুদীৰ্ঘ পাঁচটা বছৰ
নিজক বিলীন কৰি নিজৰ
সপোনবোৰৰ দিশে মই ধাৱমান হ'লো...
তোমাৰ চিৰসেউজ পৰিৱেশ .... তোমাৰ বুকুতেই
কটাম পাঁচটা বসন্ত...
মোৰ বুকুৰ নিভৃত কোণত সজাই ৰাখিম সযতনে
তুমি দিয়া অযুত ভালপোৱা!
বহুতেই আহিছে, বহুতেই গৈছে
কাইলৈ ময়ো যামগৈ
তুমি থাকিবা তথাপি চিৰ যৌৱনা হৈ
কাৰণ, বিকালী তুমি অনন্যা!
তুমি নহয় মাথো এখন কলেজ
তুমি এখন সেউজী কানন
তুমিয়েই অতীতৰ, তুমিয়েই বৰ্তমানৰ
সাক্ষৰ বহনকাৰী
সদায় উজ্জ্বলি থকা বিশ্ব দৰবাৰত
হৈ তুমি অনন্যা, তুমি অনন্যা...।

●●●

# মা

বেণুধৰ ৰাভা
স্নাতক তৃতীয় ষান্মাসিক

মা কেনে আছা তুমি?
তোমালৈ আজি বৰকৈ মনত পৰিছে অ' মা
বুকুৰ ঢপ্ ঢপনি বাঢ়ি গৈছে দেখোন
কলিজাৰ তেজবোৰো গোট মাৰিব খুজিছে,
মা আজি বহুদিন হ'ল ন
তোমাৰ সেই ক্ষীণ হাঁহিটো নেদেখা
হঠাতে তুমি কিয়নো গুচি গ'লা?
বেৰত আঁৰি থোৱা তোমাৰ সেই ফটোখনলৈ
চাই ভাইটিয়ে সোধে
সেয়া কোন বুলি,
উত্তৰ দিব নোৱাৰি
মা মই নীৰৱ হৈ ৰও অ'।
কেতিয়াবা দুচকুৰে বৰষুণ সৰে
গোটেই ৰাতি উচুপি পাৰ কৰো,
তুমিহীনতাত যে বুকুখন
চিৰল ফটা দি ফাটে
সেয়া আনে নুবুজে অ' মা।
চুবুৰীৰ মানুহে কেতিয়াবা মাতৃহীন বুলি ডবিয়াই
মই বৰকৈ কষ্ট পাওঁ অ' মা
দিনৰ দিনটো খাটি
গধূলি ঘৰলৈ উভতি আহোঁ,
ভোকে পিয়াহে দেহ অচল হৈ পৰে,
অথচ পানী এটুপি দিবলৈ কোনোৱে নাই।
মা সঁচাকৈ তোমালৈ আজি বৰকৈ মনত পৰিছে।
তোমাৰ কোলাত
আকৌ শুবলৈ মন গৈছে,
মা তুমি উভতি আহা
তোমাৰ ক্ষীণ হাঁহিটি
চাবলৈকে মই বৈ আছো।

●●●



# পোৱাৰ সময়

সুস্মিতা দাস
স্নাতক পঞ্চম ষান্মাসিক

পোৱাৰ সোণালী সময়তকৈ
বিচৰাৰ পৰিক্ৰমা দীঘলীয়া হয়
যদিও নোপোৱাৰ হাততে সমৰ্পিত হয়
বহুতৰ জীৱন বহু সময়।

ক্ষণিকৰ আনুষ্ঠানিকতাৰ বাবে
পাৰ কৰো সময়ৰ পিছত সময়

ফুল এপাহ ফুলালৈ
ফল এটা পুৰঠ হৈ উঠালৈ
যিমান পৰ
ফলটো পকী সৰি
ফুলপাহ মৰহি যোৱালৈ
কিমাননো পৰ !!

●●●



# কোন তুমি

প্ৰিয়া চন্দ
উঃ মাঃ দ্বিতীয় বৰ্ষ

নিজম নিস্তব্ধ শীতৰ নিশা
সময়বোৰ মাথোঁ ক্ষয় হই গৈছিল,
ঘোপ মৰা আন্ধাৰৰ মাজত
মাথোঁ দেখিছিলো তোমাক
দেখিছিলো তোমাৰ উজ্জ্বল মুখ মণ্ডল।
আজিও মচিব পৰা নাই
হৃদয়ত অঁকা তোমাৰ ছবি
গধূলি সময়ত কদমৰ তলত
তুমি আহিবা বুলি থাকো ৰই
তোমাক নেদেখি দুখত
ভাগি পৰে মোৰ হৃদয়।
ক'ব পৰা নাই মনৰ কথাবোৰ
কেতিয়া লগ পাম তোমাক
কেতিয়া কম দুয়োৰে
হৃদয়ত থূপ খাই থকা কথাবোৰ
কদমৰ তলত।
হয়তো, এদিন
ব্ৰজ পৰি মৰহি যাব কদম জোপা
দুয়োৰে আশাবোৰ
চুৰ মাৰ হ'ব হৃদয়ত।

●●●

# অতীত

হিমাশ্ৰী দাস
স্নাতক পঞ্চম ষান্মাসিক

অতীতৰ স্মৃতিবোৰ মনত পৰিলে
বুকুখন কেতিয়াবা ভাঙি পৰে
কেতিয়াবা আনন্দত নাচি উঠে।
সুখ-দুখ, হাঁহি কান্দোনেৰে ভৰা
অতীতৰ স্মৃতিবোৰ বৰ মধুৰ।
কেতিয়াবা ভাব হয়
সেই স্মৃতিবোৰৰ মাজত বিলীন হ'বলৈ
সেই দিনবোৰলৈ উভতি যাবলৈ
কিন্তু ...
সেয়া জানো সম্ভৱ?
হাজাৰ চেষ্টা কৰিলেও
নোৱাৰো উভতি যাব সেই দিনবোৰলৈ
কেৱল থাকিব সদায়
অতীতৰ সেই দিনবোৰলৈ উভতি যোৱাৰ
সপোন, সপোন আৰু সপোন।।

●●●

# বিষাদৰ প্ৰেম



অমৃত বৰ্মন
স্নাতকোত্তৰ দ্বিতীয় ষান্মাসিক

সঁচাকৈ নিষ্ঠুৰ তুমি
মোৰ ভালপোৱা বিলীন কৰি
গুচি গ'ল দূৰ দূৰণিলৈ।
ইমান দিনৰ চিনাকি হৈ গ'লা অচিনাকি
তোমাৰ মৰমক বিচাৰি
পৰিছো ভাগৰি।
ক'ত গ'লা তুমি মোক পাহৰি
নোৱাৰিম সহিব বিষাদৰ বেদনা
জ্বলি যাম জুইত খৰি হৈ
বিলীন হৈ যাম ছাই হৈ
তোমাৰ প্ৰেমৰ নদীত
বতাহে লৈ যাব কৰবাত
হেৰাই যাম মই তোমাক বিচাৰি।
পখিলাই পাখি মেলি উৰে বতাহত
মই উৰি ফুৰো তোমাৰ সুবাসত।
তোমাৰ ভাল পোৱাই মোক বাধ্য কৰালে
সুৰাপান কৰিবলৈ
জীৱনটো ধ্বংস কৰিলো
তোমাৰ অৰ্ধ প্ৰেমৰ বাবে।
আধৰুৱা মৰম পাই হেৰুৱালো
মোৰ স্মৃতি, সপোন, দিঠক
হেৰুৱালো তোমাক।

●●●

# অমাবস্যা

প্ৰাণজিৎ দাস
স্নাতক পঞ্চম ষান্মাসিক

জীৱন শেষ হয়
ম্লান নহয় মাথোঁ ভাবনাবোৰহে!
কাষত নাই যদিও
কিবা এটাই খুন্দিওৱা যেন
অনুভৱ হয়;
কিজানিবা...
মই এতিয়া নিৰাপদ নহয়।

নিজানত এন্ধাৰে ক'ব খোজে
তোমাৰ কথা,
ভাবিলে বিকশে বুকুৰ বিষাক্ত বেদনা;
অৱশেষ, মাথোঁ কেইটিমান হুমুনিয়াহ।

নিশাৰ তৰাই গোৱা গানবোৰ
এতিয়া হৈ পৰিল,
ফটা বাঁহীৰ বুকু ভগা কৰ্কশ সুৰ;
যাৰ কাৰণে এতিয়া মোৰ চাৰিওফালে
কেৱল অমাবস্যা....।

●●●

# সপোন সৰা মোৰ চোতালত

■ ধৃতিস্মিতা নাথ ■
স্নাতক পঞ্চম ষান্মাসিক



সপোন সৰা মোৰ চোতালত
আকৌ সৰিছে আজি
আশাৰ পাত।
সেই খিলা পাত, যত থাকে
আশা-নিৰাশা
বিশ্বাস অবিশ্বাসৰ ৰেখা।
সৰি পৰে সপোনবোৰ
বুটলি লওঁ মই,
ভাহি থাকে আশাবোৰ
সপোন দেখোঁ মই।
সপোন সৰা মোৰ চোতালত পৰেহি
হিংসা, বিদ্ৰোহ, ধৰ্ষণৰ ছাঁ
যি ছাঁত থাকে কেৱল
দুখ বেদনা আৰু ক্ৰোধ
আৰু অশ্ৰুৰ ঘাত।
লম মই সেই ছাঁ বুটলি
দমন কৰিম সেই নিৰাশৰ ছাঁ,
সপোন সৰা মোৰ চোতালত
আকৌ আশাৰ পাত বুটলিম।


●●●

# কোনটো বাটেৰে খোজ কাঢ়িবা

■ চিম্পী ৰাভা ■
উঃমাঃ দ্বিতীয় বৰ্ষ

এয়া হাতত কি?
আত্মৰক্ষাৰ অস্ত্ৰ
নে আতংকৰ মাৰণাস্ত্ৰ
মনত কি?
শান্তিৰ এধানি জীৱন
নে জিন ৰাজত্বৰ খেয়ালি জীৱন!
চকুত কি?
পৱিত্ৰ প্ৰকৃতিৰ স্নিগ্ধ মৰম
নে অস্ত্ৰৰে ভৰা বন্ধ গুদাম।
জীৱন কি?
ক্ষন্তেক জীয়াই থকাৰ
নে কিবা হেৰুৱাৰ বেদনাত তিৰস্কাৰ!
নিজে বাছি ল'বা?
কি আশাতে জীয়াই থাকিবা
নিজ হাতে কি বনাবা
কেৱল দেখিবৰ বাবে।
ভাল বেয়া জীৱনৰ দুটি ৰূপ
দুটি বাট
কোনটো বাটেৰে খোজ কাঢ়িবা।

●●●



# বিপ্লৱ

অসীম কছাৰী
স্নাতক ষষ্ঠ সন্মাষিক

যুগে যুগে শতিকাই শতিকাই
আছো তুমি উজ্বলি,
অনন্ত প্ৰহৰী হৈ
অঙ্গে অঙ্গে প্ৰাণে প্ৰাণে
তোমাৰ তেজে তেজে আছে
ত্যাগৰ প্ৰকাশ
আহুতিৰ আভাষ।
কতো আশা, কতো নিৰাশা
আৰু আছে কতো আকাংক্ষা,
তোমাতেই প্ৰাণ
এখনি মাতৃভূমিৰ।
সদায় থকা তুমি জাগি
জননীৰ সন্তান,
হে বিপ্লৱ প্ৰণম্য তুমি।

●●●


# বি চি ডিৰ মৰম লগা চৰাইজনী

ত্ৰৈলোক্য নাথ
স্নাতক পঞ্চম ষান্মাসিক



শালিকী পুৱাতে উঠি
আঘোণৰ কুঁৱলীৰ ফাকে ফাকে
বেলিটো বিচাৰো...
কিন্তু,
নাই, নেদেখো।
দেখো মাথোঁ তাইজনীৰ প্ৰতিচ্ছবি।
কলেজৰ নঙলাত এটি অত্যাধুনিক হাঁহি মা
খট্ খট্কৈ আহে,
ওখ হিল পিন্ধা ছোৱালীজনী।
কৃষ্ণক'লা চুলিটাৰি বতাহে আউল লগালেও
এহাতেৰে চিজিল লগাই আহে,
তাইয়ে বি চি ডিৰ মৰম লগা চৰাইজনী
দুয়োকাষৰ নাহৰ, দেৱদাৰু, সোণাৰু জোপায়েও
যেন তাইৰ আগমনত জীপাল হৈ উঠে।
বাণিজ্য শ্ৰেণী কোঠাৰ মাজেৰে
চিধায়ে বৃন্দাবনলৈ ঢাপলি মেলে।
আচৰিত!
তাইৰ কথা কোৱাৰ ষ্টাইলত
ৰেডিঅ'ৰ আৰ জে পাহিও তল পৰিব।
আৰু মই!
একে থৰে চাই ৰও...।
কিছু আৱেগসনা বাৰ্তালাপে
মোক বাক্ৰুদ্ধ কৰি তোলে।
আৰু ...
হিয়াত ভুকুৱাই কান্দে
অভিমানৰ প্ৰাচীৰখন ভাঙিবলৈ
তাইয়ে মোৰ মৰমৰ চৰাইজনী।

●●●



# অপূৰ্ণতা

নিকিতা খাখলাৰী
স্নাতক প্ৰথম ষান্মাসিক

দৃষ্টিভংগীৰে নহয় ক্ষিপ্ৰতাৰেহে বিচাৰো
ধ্বংসৰ সাঁচিপাতত থকা অপূৰ্ণতা
বিশ্বাসৰ গৰাহৰে বগাব খুজিও
পালো মাথোঁ অসাৰ্থকতা,
মোৰ বৃহৎ অপূৰ্ণতা

বিষম পৰিস্থিতিটো দেখা
বহাগী আৰু বসন্তৰ
আলিংগনৰ মায়া
মোৰ অপূৰ্ণতা

অনাদৃত দৃঢ়তা, ভাৱহীনতা
যষস্যা আৰু উন্মেষে মোৰ হৃদয়ত
মাথোঁ নাম পায়
অপূৰ্ণতাৰ।

হিয়াৰ আভামণ্ডিত ৰাজভৱনত
অপূৰ্ণতাৰ বাণী মই
মোৰ চিনাকি মাথোঁ
অপূৰ্ণতা...।।

●●●

# জয় আই অসম

ধ্ৰুৱ দাস
স্নাতক প্ৰথম ষন্মাসিক

মই এটা অসমীয়া কবিতা লিখিম
য'ত নাথাকিব অসমীয়া শব্দ।
যেতিয়াই অসমত
অসমৰ মুখ্যমন্ত্ৰী জন হ'ব
বাংলাদেশৰ
বিত্তমন্ত্ৰী হ'ব বিহাৰৰ
পৰিবহণ মন্ত্ৰী হ'ব পাকিস্তানৰ
আৰু শিক্ষা মন্ত্ৰীজনো হ'ব
ঢাকা, বংগদেশৰ।
তেওঁলোকে শিক্ষা দিব
অসমীয়াৰ উৎপত্তি
দেশপ্ৰেমী কি?
বক্তৃতাৰ ফুলজাৰি মাৰিব।
সেইসকলেই হ'ব ভৱিষ্যত অসমৰ
ভৱিষ্যত অসমীয়া।
লক্ষ্মীনাথ, পদ্মনাথ, কমলাকান্ত
চন্দ্ৰকুমাৰ, বেণুধৰ, বাণীকান্ত...ৰ
আদৰ্শ ঘূৰাই আনিবলৈ
এটা অসমীয়া কবিতা লিখিম
য'ত নাথাকিব অসমীয়া শব্দ
শংকৰদেৱ, মাধৱদেৱ লাচিত চিলাৰায়
মূলাগাভৰু কনকলতা
গোপীনাথ তৰুণৰাম বা নবীন চন্দ্ৰ বৰদলৈৰ
তেজ জুখিবলৈ
এটা অসমীয়া কবিতা লিখিম
য'ত নাথাকিব অসমীয়া শব্দ।


●●●

# ভালপোৱা

কুলধৰ ৰাভা
স্নাতক প্ৰথম ষান্মসিক

মই জানো
ভালপোৱাৰো এটা অৰ্থ আছে।
মই জানো
ভালপোৱাৰো এটি সংজ্ঞা আছে।
যেনেদৰে এন্ধাৰ ৰাতিৰ বাবে
পোহৰ দেখা বা দেখিবৰ বাবে...
ভালপোৱাৰো এটা নিৰ্দিষ্ট অৰ্থ আছে,
ভালপোৱাৰো এটা নিৰ্দিষ্ট সংজ্ঞা আছে;
যেনেদৰে ভালপোৱাৰ বাবে ভালপোৱা
তোমাৰ মোৰ সকলোৰে আছে।

●●●





# মৰম এজাক ধুমুহা

পৰাগ কলিতা
স্নাতক প্ৰথম ষান্মসিক

তিৰবিৰাই থকা আকাশখনলৈ চোৱানা
কি যে ধুনীয়া লাগিছে
জোনাকৰ কাষত থকা এটুকুৰা ক'লা ডাৱৰে
যেন মাতিব ধৰিছে এজাক মিঠা বৰষুণক
নীলা আঁচলৰ ফাকে ফাকে বৰষুণৰ
টোপালবোৰে হাঁহিছে আৰু ক'বলৈ ধৰিছে
প্ৰেয়সী হ'বানে তুমি মোৰ?
মোৰ দুচকুত বাৰে বাৰে ক'বলৈ ধৰিছে
মৰম এজাক ধুমুহা
জোনাক তুমি কোৱানা
মোৰ দুগালত গোলাপৰ পাহিৰে
মৰম এজাক সানি দিবলৈ।
মই নাজানো হৃদয়ৰ কিমান কাষত
মোৰ ঠাই
দুচকুত ভাহি আহে জোনাকৰ বৰষুণ
মৰমে জানো নিবিচাৰেনে
মোৰ হৃদয়ক, তোমাৰ অন্তৰত
চিৰদিনৰ সংগী বনাবলৈ
মৰম এজাক ধুমুহাৰ দৰে
হঠাৎ উৰুৱাই লৈ যায় বহু দুৰলৈ।

●●●